# ৰাভামিজ
# শব্দতাত্ত্বিক বৈশিষ্ট্য

# ৭.০০ শব্দতাত্ত্বিক বৈশিষ্ট্য

৭.১০ শব্দ হৈছে কোনো এটা ভাষাৰ ক্ষুদ্ৰতম মুক্ত ৰূপ।[১] সেইফালৰ পৰা বিভক্তি বাদ দিলে যিটো ক্ষুদ্ৰতম একক (Unit) থাকে, তাক শব্দ বুলি ক'ব পৰা যায়।[২] আনহাতে এই এককবোৰ ক্ষুদ্ৰতম হ'লেই নহ'ব, তাৰ অৰ্থও থাকিব লাগিব। গতিকে শব্দ হৈছে উচ্চাৰণ আৰু অৰ্থৰ যাদৃচ্ছিক সমাহাৰ।[৩]

৭.১১ পিজিন আৰু ক্ৰেওল বিলাকত বিভিন্ন উৎসৰ পৰা অহা শব্দ দেখা যায়।[৪] সেইকাৰণে পিজিনক বিভিন্ন ভাষাৰ মিশ্ৰণ (Varied mixture of languges) অথবা mongrel jargon বৈশিষ্ট্যযুক্ত হিচাপে পোৱা যায়।[৫] নব্য মেলানেজিয়াম [Neo-melanesian] নামৰ পিজিনটোত দেখা যায় যে সেই ভাষাটোত ৭৫ শতাংশ ইংৰাজী শব্দ, ২০ শতাংশ স্থানীয় ভাষাৰ শব্দ আৰু বাকী অংশত জাৰ্মান, মালয় আৰু চাৰিওফালে আৰৰি থকা ভাষাৰ শব্দ আছে।[৬]

---

১. "*A word, then, is a free form which does not consist entirely of (two or more) lesser free forms; in brief, a word is a minimum free form.*"— Bloomfield, Leonard : **Language,** 1993, P. 178

২. গোস্বামী, গোলোক চন্দ্ৰ ঃ **অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ,** ১৯৯০, পৃ. ৯৭

৩. "*......a word is an arbitrary pairing of sound and meaning.*"—Akamijan, Demers, Farmer, Harnish : **Linguistics — An Introduction to Language and Communication,** 5th edition, 2004, p.16

৪. "*On first coming in contact with a pidgin language, the observer is often struck by its apparent mixture of words form different sources.*" — Hall, Robert A : **Pidgin and Creole Languages,** Cornel University Press, 1979, P. 89

৫. Hall, Robert A : উক্ত গ্ৰন্থ, P. 89

৬. Hall, Robert A : উক্ত গ্ৰন্থ, P. 90

৭.১২ ৰাভামিজত ব্যৱহাৰ হোৱা শব্দবিলাকত উৎসৰ দিশৰ পৰা প্ৰধানকৈ তলত দিয়া ধৰণে শ্ৰেণী বিভাগ কৰিব পাৰি—

(ক) আৰ্য-ভিন্ন ভাষাৰ পৰা অহা শব্দ বা দেশজ শব্দ

(খ) সংস্কৃতমূলীয় শব্দ

(গ) আঞ্চলিক ৰূপৰ শব্দ

(ঘ) স্বকীয় শব্দ

(ঙ) বিদেশী শব্দ আৰু

(চ) মিশ্ৰিত শব্দ

## ৭.২০ আৰ্য-ভিন্ন ভাষাৰ পৰা অহা শব্দ ঃ

ৰাভামিজ মূলতঃ অসমীয়া ভাষাৰ এক নৃগোষ্ঠীয় উপভাষা হ'লেও তাত আৰ্য-ভিন্ন ভাষাৰ বহুতো শব্দ পোৱা যায়। সেইবোৰৰ ভিতৰত চীন-তিব্বতীয় ভাষা গোষ্ঠীৰ তিব্বত-বৰ্মীয় শাখাৰ অন্তৰ্গত ভাষাসমূহৰ শব্দই বেছি। মূলতঃ ৰাভামিজ ভাষা-ভাষী লোকসকল চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মীয় অন্তৰ্গত ৰাভা ভাষী আছিল। "*ৰাভামিজৰ প্ৰধান ধাৰক আৰু বাহক পাতি ৰাভাসকলে ৰাভা ভাষাৰে চিন্তা কৰি অসমীয়াৰে ভাব প্ৰকাশ কৰে বুলিলেহে ছাগৈ কথাটো বেছিকৈ খাপ খাব।*"[৭] সেইকাৰণে পাতি, টোটলা, দাহৰি, বিটলীয়া আদি ৰাভা ফৈদে অসমীয়া ভাষাক মাতৃ ভাষা হিচাপে গ্ৰহণ কৰিলেও তেওঁলোকৰ প্ৰাচীন ভাষাৰ শব্দ কিছুমান অবিকৃত ৰূপত আৰু কিছুমান পৰিবৰ্তিত ৰূপত ব্যৱহৃত হৈ আহিছে।

ৰাভামিজত ব্যৱহৃত আৰ্য-ভিন্ন ভাষাৰ পৰা অহা শব্দ বা দেশজ শব্দসমূহক আকৌ তলত দিয়া ধৰণে শ্ৰেণী বিভাগ কৰিব পাৰি—

(ক) তিব্বত-বৰ্মীয় শব্দ

(খ) অষ্ট্ৰিক শব্দ

(গ) টাই-আহোম শব্দ আৰু

(ঘ) দ্ৰাবিড়মূলীয় শব্দ

---

৭. ৰাভা হাকাচাম, উপেন ঃ **অসমীয়াৰ কেইটামান নৃগোষ্ঠীয় উপভাষা ঃ এটি সাধাৰণ পৰিচয়,** প্ৰবন্ধ, **গৰীয়সী,** নৱেম্বৰ, ২০০৪, পৃ. ৭৮

## ৭.২১ তিব্বত-বৰ্মীয় শব্দ ঃ

### ৭.২১.১ ৰাভা ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ [৮] ঃ

আউতা, পগা'
আওছা / আংছা, 'এবিধ ফালি'
আওতা, 'থপ্ থপীয়াকৈ আঞ্জা ৰান্ধ্'
আওৰায়, 'কেঁকা'
আওৰায়-বাওৰায়, 'ইফালে-সিফালে'
আক্ছি-ফাক্ছি, 'আওকালী'
আথিয়া, 'এবিধ কল'
আখ্ৰেঙা, 'খঙাল'
আবালাকা, 'এবিধ টেঙামৰা জাতীয় বনৰীয়া তৃণ'
আমছিংৰি, 'টেঙেছি টেঙা'
আল'গ, 'এঘৰীয়া, আছুতীয়া, গাইগুটীয়া'
আল্তুৰা, 'সহজতে'
আল্দা, 'পৃথক,বেলেগ'
আলাং ভালাং, 'আহল-বহল, মুকলি মূৰীয়া'
আলায়, 'ওলমাই ৰাখ্'
আলামালা, 'অলপ, এৰা-ধৰাকৈ'
আলোক লোক, 'আলফুলকৈ'
আয়া, 'মা'
আয়াও, 'বাহ ! বাহ !'
ইগো, 'এইটো'
উচিলিংকা, 'জিলী'

---

৮. উৎস ঃ Jose, U.V.: **Rabha-English Dictionary Khurangnala**, 2000

উফাফাক, 'হতবুদ্ধি হ, আচৰিত হ'
কাম্বুং, 'মেঠনি'
কাৰা, 'এক বিশেষ ধৰণৰ বাঁহী'
কাৰাং, 'ঘূৰি ফুৰ্'
কিৰা, 'প্ৰতিজ্ঞা'
কেত্‌কেত্, 'কঠিন'
কেল্‌কা, 'বাকলি / ছাল গুছা'
কেলেলেং, 'অসংযতভাৱে থকা'
কোন্দ'লা, 'কোচ'
খাখিৰি, 'কঁৰাল'
খাচ্‌ৰেং, 'শাল পাতেৰে তৈয়াৰ কৰা এক ধৰণৰ বিড়ি'
খাম্, 'জাহ যোৱা, জীন যোৱা'
খাম, 'ঢোল'
খিজ্‌লায়, 'ধেমালি কৰা'
খিল্‌তিঙা, 'ক্ষীণ পুৰুষ'
খিল্‌তিঙী, 'ক্ষীণ মহিলা'
খুদুনা, 'খতুৰা শাক'
খেচেচেপ, 'ঠেক সৰু'
খেচেপা, 'ঠেক সৰু'
খোক্‌চি, 'এগৰাকী দেৱীৰ নাম'
খোংৰা, 'গছত থকা ফুটা'
খোমা, 'বস্তু জোখা এবিধ পাত্ৰ'
গ'ংচোলেঙা, 'উদাস, উন্মনা'
গ'ৰ'ং, 'পাহাৰৰ সুৰংগ'
গাভুৰ, 'ডেকা ল'ৰা'

গোম টেংনা, 'ডাঙৰ শিঙৰা'

ঘ'গ্লা, 'ডাঙৰ'

ঘিম ছু, 'ইকৰাৰ গেঁৰ'

চ'কেয়া, 'টোকোৰা চৰাই'

ছ'ল'ঙা, 'গছৰ দীঘল আৰু পোন ডাল'

চিলিক্ চালাক, 'উজ্বল'

চিলিলিক্ চালালাক্, 'উজ্বল'

চুঙুলি, 'বাঁহৰ বেৰৰ খুটি'

চুলুং, 'সুৰংগ, গুহা'

চেপ'ন, 'ঠেক'

চেপেপেক্, 'ঠেক'

চৌ চৌ, 'বেছি'

ছ'ল'ল'ং/ স'ল'ল'ং, 'গছৰ দীঘল আৰু পোন ডাল'

ছাথাৰ, 'বায়খো উৎসৱত ডেকা-গাভৰুৱে গোৱা প্ৰণয় গীত'

ছামা, 'উৰাল মাৰিৰ মূৰত লগোৱা ধাতুৰ খাৰু'

ছাৰা/ সাৰা, 'দূত'

ছিদায়/ সিদায়, 'এবিধ গছ'

ছিথা/ সিথা, 'গৰা মদৰ অৱশিষ্ট অংশ'

ছিৰি/ সিৰি, 'গছৰ টান অংশ'

ছেও ছেওৱা, 'মাতটো সৰু হোৱা'

ছেছেং, 'মাখি কণী পাৰা'

জ'ব্ৰা/ জ'বাৰা/ জুব্ৰা, 'দুৰ্বল, ক্ষীণ' (পুৰুষ)

জ'লা, 'মূৰ্খ'

জাওনা, মদ ছেকি জমা কৰা পাত্ৰ'

জাকাকাউ, 'বিশৃংখল হৈ থকা'

জাকাহি, 'বিশৃংখল হৈ থকা অথবা পৰিস্কাৰ হৈ নথকা তিৰোতা'

জাংখ্‌লা, 'জখলা'

জান্থি, 'বাঁহেৰে তৈয়াৰী মদ চেকা পাত্ৰ'

জাম্পুপুৰ, 'জোপোহা'

জাম্বুৰা, 'ৰৱাব টেঙা'

জাল্‌মা, 'তেলেতীয়া, চকুৰে ভালকৈ নেদেখা'

জালাক-জুলুক, 'একেথৰে চাই থকা'

জালালাক-জুলুলুক, 'একেথৰে চাই থকা'

জাৰা, 'পাগল'

জাৰী, 'পাগলী'

জিনিহাৰি, 'বলাৎকাৰ জনিত অপৰাধ, এবিধ প্ৰায়শ্চিত্ত বিধান'

ঝ'ৰা, 'নিজৰা'

ঝিলিং ঝালাং, 'বিশৃংখলভাৱে ওলমি থকা'

ঝেলেং ঝেপেং, 'বিশৃংখলভাৱে ওলমি থকা'

ঝেল্‌পা, 'লেহুকা, ঢিলাকৈ ওলমি থকা'

ঝেল্‌মা, 'এক ধৰণৰ সৰু পোক'

ত'তেং, 'তক্ষক'

ত'ন্দ'লেংকা, 'বাঢ়ে টোকা'

তালাং তিলিং, 'ইফালে-সিফালে চোৰা'

তাৰাং তিৰিং, ' ইফালে-সিফালে চোৰা'

তিক্‌লি, 'টেকেলি'

তেতেলেকা, 'এবিধ বাদ্য যন্ত্ৰ'

তুপ্ৰা, 'ঘূৰণীয়া'

তুম্ তুম্, 'পৰিপূৰ্ণভাৱে'

তুৰুং, 'পাখি গজা উঁই'

তেং তেং, 'থিয়কৈ থকা'

তেং তেং তুং তুং, 'থিয়কৈ থকা'

তেংনা, 'শিঙৰা মাছ'

তেপ্রা, 'বাওনা'

তেপ্রী, 'চুটি মহিলা, বাউনী'

থ'ব্রা, 'একগোট হোৱা, লগ লগা'

থ'ব্লা থ'ব্লি, 'সোপাসোপে'

থুথিমালা, 'এবিধ গছ আৰু তাৰ ঔষধি ফল'

থেম্বে ব্লেক, 'লেপেটা কাঢ়ি বহা'

থেল্ থেল্ বেল্ বেল্, 'ঢিলা আৰু লেতেৰা'

থোক থোক, 'পানী কমকৈ দি এক বিশেষ ধৰণে ৰন্ধা'

দ'ং দ'ং, 'ডাঙৰ দীঘল'

দ'ং দ'ং, 'খৰকৈ (খোজ কাঢ়)

দ'তা, 'নিয়ন্ত্রণ কৰা'

দ'ব্লা, 'আলিৰ মাজৰ মাটি'

দ'লেং দ'লেং, 'লৰচৰকৈ ওলমি থকা'

দ'লেলেং, 'দীঘলকৈ ওলমি থকা'

দাইদি, 'এবিধ বাদ্য যন্ত্র'

দাদুৰী, 'এগৰাকী দেৱীৰ নাম'

দাবা, 'ব্রংকাইটিচ, উশাহ-নিশাহত কষ্ট পোৱা বেমাৰ'

দাম'ল/ দাম্ব'ল, 'বাৰীৰ চৌকাষে দিয়া ঢাপ'

দাম দাম, 'বহুত'

দামায়, 'গোট খুওৱা'

দামেন, 'বহুত'

দাৰা, 'নদী'

দিং দিং, 'থিয় হোৱা'

দোদা লোদা, 'দোধোৰ মোধোৰ'

দোদো, 'ঠাগুাৰ পৰা হাত সাৰিবলৈ ডিঙিৰ পৰা ওলমাই বন্ধা এবিধ কাপোৰ'

ধাং ধাং/ধাং ধাং, 'উদং'

ধাপা, 'বহল'

ধেপা, 'চেপেটা'

ধেলপ'কা/ ধেল্‌পক্ পক্/ধেলপোপোক, 'ঢিলা'

ধোং ধোং, 'ফুটা'

নাছেং নাছেং, 'গোলাপী নিচা'

নাপেং, 'শুনিও নুশুনাৰ ভাও জুৰা'

নাৰেঙা, 'বিষাক্ত পুঁজ ওলোৱা বেমাৰ'

নালা, 'নিজৰা'

নিছ্‌লা, 'মিছা মাছ'

নুনু, 'স্তন'

নোনো, 'সৰু ভাই অথবা ভনী'

পাঘোন, 'এক ধৰণৰ অপদেৱতা'

পাংবা, 'এক অপদেৱতা'

পাজাৰ, 'গামোচা'

পাম, 'ৰাভাৰ এটি গোত্ৰ'

পায়পুৰুকি, 'বুলবুলি'

পিলিং পিচিং, 'বিশৃংখল ভাবে'

পেৰ্‌তা/পেৰ্‌তানি, সোৰোপালি, লেতেৰা স্বভাৱৰ'

ফ'চ'চ'ং, 'সোৱাদহীন'

ফ'চেঙা, 'ভেকেটা ভেকেট'

ফ'ৰ্ ফ'ৰ্, 'খৰকৈ'

ব'ক্ৰা, 'ঠোঠা'

বাক্রা/বাখ্রা, 'বকৰানি'

বাদিতিকা, 'কাঠৰোকা'

বাৰ্চুং, ৰাভাৰ এটি গোত্ৰ'

বাৰা, 'অৰ্পণ কৰ্'

বাৰায়,'মাতৃ সূত্ৰে লাভ কৰা গোত্ৰ'

বায়খো, 'ৰাভাৰ জাতীয় উৎসৱ'

বেং বেং, 'মূৰ্খ'

বেল্ বেল্, 'বহুত'

বেল বেলা, পকি কোমল হোৱা'

বেল্ বেল্ বুল্ বুল্, 'পনীয়া, ঢিলা'

বুবুৰেঙা, 'এক প্ৰকাৰ বাদ্য যন্ত্ৰ'

ব্ৰেক্, 'মদ ঢালিবলৈ ব্যৱহাৰ কৰা তিতা লাওৰ খোলা'

ভ'থ্লা, 'কুঁহিলা'

ভ'ম্ব'ৰা, 'নেজাল, নোমাল, ডাঙৰ'

ভ'ৰ্ ভ'ৰ্, 'পোনকৈ, লহপহকৈ'

ভালা, এক ধৰণৰ বিষাক্ত গছ'

ভুচুৰা, 'লেতেৰা, অনাৱশ্যকভাৱে শকত হোৱা'

ভুচৌ চৌ,'অপৰিপাটি কৈ থকা'

ভুতিয়া, 'কুমন্ত্ৰ জনা মানুহ, পুৰুষ ডাইনী'

ভুথুৰা, 'ভোটা'

ভুথুথুৰ্, 'ভোটা'

ভেব্ৰা, 'মূৰ্খ'

মাছলেংকা, 'মাছৰোকা'

মাম্, ‘ভাত (শিশু মাত)’

মামা চ'চ'ৰেত্, ‘এবিধ ডাঙৰ বিছা’

মাৰু, ‘এবিধ লতা জাতীয় উদ্ভিদ’

মাহাৰি, ‘গোত্ৰ’

মায়তৰি, ‘ৰাভাৰ এটা ফৈদ’

মে মে মু মু, ‘বৰবৰীয়া, আৰৱ’

মেমাং, ‘প্ৰেতাত্মা’

মেমেনা/ মেমেৰা, ‘অনিৰ্ভৰযোগ্য, সহজে পিছলা’

মোকা, ‘কাঠৰ কমল অংশ’

ৰ'ংদানি, ‘ৰাভাৰ এটা ফৈদ’

ৰাও, ‘মাত’

ৰাও ৰাও, ‘শুলস্থুলকৈ’

ৰিফান, ‘তিৰোতাই পিন্ধা পৰম্পৰাগত পোছাক’

ৰেংৰেঙা/ ৰাংৰাঙা, ‘পাতল আৰু স্বচ্ছ (কাপোৰ)’

ল'ৰ'ক্ ফ'ৰ'ক্, ‘দুৰ্বল,

লাঙা, ‘এক দেৱতা’

লান্তা, ‘অভ্যাস’

লাৰা, ‘বৰলা’

লিং লিং, ‘ওখ, দীঘল’

লিং লিং লাং লাং, ‘দীঘল, ওখ’

লেং লেং, ‘দীঘল, ওখ’

লেং লেং লুং লুং, ‘ওলমি থকা’

লেম্ লেম্, ‘দীঘলকৈ ওলমি থকা’

লোদা, ‘ডোখৰ’

লোদ্ৰোঙা, ‘শকত’

লোন্দ্ৰা, ‘ঘূৰণীয়া’

হ'ল'ক ফ'ল'ক, 'ঢিলা'

হাক্‌দাক, 'খৰ্ ধৰ্'

হাকা, 'খেদি দে'

হাচা/ হান্‌চা, 'ডিঙিত পিন্ধা এবিধ অলংকাৰ'

হাছ'ং, 'দেশ'

হাদাম্, 'ক্ষেত্ৰ'

হাবাং, 'বহল মুখৰ অথবা মূৰ্খ'

হাম্‌লাই, 'কিবা পাবলৈ ব্যগ্ৰ হ'

হাৱাৰ, 'মথাউৰি'

হোলদোঙা, 'আহল-বহল'

### ৭.২১.২ বৰো ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ ঃ

অসমীয়া ভাষাৰ সমৃদ্ধি-সাধনত বৰোসকলৰ যথেষ্ট অৰদান আছে। অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দগত দিশত বৰোসকলৰ অৰদান অনস্বীকাৰ্য। এই অৰদানবোৰৰ সম্পৰ্কত সুনীতি কুমাৰ চেটাৰ্জী, বাণীকান্ত কাকতি, উপেন্দ্ৰ নাথ গোস্বামী, প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, প্ৰমুখ্যে বিশিষ্ট ভাষাবিদসকলৰ দৰে সৰহ সংখ্যক তিব্বত-বৰ্মীয় ভাষা-বিশেষজ্ঞসকলেও যথেষ্ট মন্তব্য আগবঢ়াইছে।[৯]

ৰাভাসকলৰ নিকটৱৰ্ত্তী সমগোত্ৰীয় ভাষা হৈছে বৰো ভাষা। সেয়েহে ৰাভাসকলৰ কথিত অসমীয়া অৰ্থাৎ ৰাভামিজতো যথেষ্ট সংখ্যক বৰো ভাষাৰ শব্দ সোমাই পৰিছে। তলত বৰো ভাষাৰ সৈতে সাদৃশ্য থকা ৰাভামিজৰ শব্দ কেতবোৰৰ উল্লেখ কৰা হ'ল।[১০]

অ'খ্ৰা, 'অকৰা'

আগায়, 'আমোৰাই'

---

৯.ৰাভা হাকাচাম, উপেন ঃ **অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষা**, ২০০০, পৃ. ৩৩-৫৪

১০.উৎস ঃ Kakati, B.K.: **Assamese, Its Formation and Development**, 1941,sec.66-71

গোস্বামী, উপেন্দ্ৰ নাথ ঃ **অসমীয়া ভাষাৰ উদ্ভৱ-সমৃদ্ধি আৰু বিকাশ**, ১৯৯১, পৃ. ৪৫-৫০

Bhattacharya, P.C. : **Descriptive analysis of the Boro Language**, 1977, p.271-371

ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ আৰু নাৰ্জী, ভৱেন ঃ **বৰো-অসমীয়া অভিধান**, ২০০৫

আগ্ৰা, 'এবিধ বন'

আতিয়া, 'নৰ্দমা'

আথা, 'এঠা'

আবাং জাবাং, 'যিহকে পায় তাকে কোৱা'

আব্ৰা, 'হোজা'

আফ্লায়, 'আফালি দিয়া'

আল্‌জাল্‌, 'কামত আউল লগাই দিশ হেৰুৱাই পেলোৱা'

উকায়, 'উক দিয়া'

উখি, 'উফি'

এলেং, 'এবিধ মাছ'

ক'ধ'ৰা, 'আধৰি'

ক'ল'ম, 'কলমৌ'

খ'খা, 'এবিধ মাছ ধৰা সঁজুলি'

খ'চা, 'কাপোৰৰ কোঁচ'

খ'ম'লা, 'একে লগ কৰা'

খাখা খিখি, 'মুখামুখি হৈ গালা গালি কৰা'

খাদা, 'গোৱৰ-জাৱৰ পেলোৱা বাঁহেৰে সজোৱা পাচি'

খামাল, 'কাঠৰ দম'

খেছ্‌ৱা, 'বেয়া স্বভাৱৰ অভদ্ৰ'

খেব্‌ খেব্‌, 'বাৰে বাৰে গালি দিয়া'

খেৰ্‌খা, 'খৰাহি'

খোফ্ৰা, 'শোৱা কোঠা'

খিদ্‌লায়, 'ঠাট্টা কৰা, ইতিকিং কৰা'

গ'ক্‌তা, 'তিক্ততা'

গ'থ'ব্‌থ'ব্‌, 'নীৰৱে নিথৰ হৈ থকা'

গাংতি, 'কাষলতি বা তেনেকুৰা ঠাইত উঠা ফোঁহা'

গামেৰি, 'গমাৰি'

ঘেছেপ্, 'ঠেক'

চ'ৰ্পা, 'উৰি ফুৰা আৰু জীৱ জন্তুক কমোৰ এবিধ সৰু পোক'

চাং, 'চাং'

চাপ্ৰা, 'চাপৰ'

চুচ্নি, 'কল গছৰ শুকান পাত'

চেৰেঙা, 'পোহৰ'

ছ'ত'ৰ ব'ত'ৰ, 'চঞ্চল স্বভাৱৰ'

ছ'প্ছ'প্, 'বহু বন্ধী'

ছেংৰা, 'ডেকা ল'ৰা'

ছেংৰী, 'গাভৰু'

জাখায়, 'জাকৈ'

জুতি, 'সোৱাদ'

জেল্লা, 'যেতিয়া'

জোং, 'জোং'

জোলোঙা, 'মোনা'

তাগেন, 'টাঙোন'

তাপ্লা, 'হাল বাওতে হাল নটনা এলেহুৱা গৰু'

তাপিলা, 'তপিনা'

তিক্নি, 'টিকনি'

তেপ্লা, 'পাত্ৰ আদি কৰবাত খুন্দা খাই কোনো অংশ বহি যোৱা কাৰ্য'

দ'ব্ৰা, 'গাত ফুলি উঠা ফোঁহাৰ নিচিনা সৰু সৰু অংশ'

দ'ৰখ, 'এৰাল'

দ'হি, 'দেই পৰি যা'

দাংৰি, 'ডাঙৰি'

দাপেনা, 'বাহু'

দাম্রি, 'দামুৰি'

দাল সোলিয়া, 'এবিধ ডাঙৰ জাতৰ নিগনি'

দুবাও, 'পানীত বুৰ্ মাৰ্'

দোখ্ৰা, 'ডোখৰ'

দোমাচা, 'দুটা ভিন্ন জাতৰ পৰা জন্মা'

পাখ্ৰা, 'পখৰা'

পিন্ পিনাই, 'তীব্ৰ গতিত ঘূৰ'

ফাংফুং, 'প্ৰবঞ্চনা কৰা স্বভাৱৰ মানুহ'

ফাত্ৰা, 'মিছলীয়া'

ফাহি, 'আপোনা আপুনি কাপোৰ ফাটি যোৱা'

ফিৰ্ ফিৰ্, 'ৰিব্ ৰিব' (বতাহ)

ফেচেৰ্ ফুচুৰ্, 'উচুপনি'

ব'তিয়া, 'বিজিত ভৰোৱা সূতা'

ব'দা, 'ধাৰ নথকা, চোক নথকা'

বিজ্লা, 'বিজলুৱা'

বেল্তায়, 'ওপৰৰ পৰা তললৈ মূৰ কৰ'

বোন্দা, 'বোন্দা'

মাইহাং, 'এক ধৰণৰ বাটি'

মুকুৰা, 'ভেঁট ফুল'

মেজেঙা, 'এবিধ বনৰীয়া শাক'

মেনা, 'বেকা, ভাঁজ লগা'

মেল্লা, 'বহুত'

ৰ'য়্না, 'ধান বা সৰিয়হ আদি জমা কৰা সঁজুলি'

ল'দ্ৰা লুদ্ৰি, 'টুকুৰা টুকুৰ'

ল'ফা, 'এবিধ শাক'

লাঙি, 'এবিধ মাছ মৰা জাল'

লাওখোলা, 'লাওখোলা'

লাংকা, 'বহুত দূৰ'

লাংখালাংখি, 'লাম লাকটি '

লাথুৰা, 'দুষ্ট'

লাব্ৰা, 'বহু বিধ শাক মিহলি কৰি ৰন্ধা আঞ্জা'

লামখ্, 'জন্তু ধৰা এবিধ জাল'

লেংগ্ৰা, 'লেঙেৰা'

লেব্ৰা, 'বাওহতীয়া মানুহ'

সিল্‌খা, 'শিলিখা'

হ'ত্ৰা, 'শুই থাকোতে নাকেৰে শব্দ কৰা'

হ'ম্‌কা, 'ধৰি ৰাখিবলৈ দিয়া ঢকা'

হ'ল'ঙা, 'হলঙা'

হাওফাও, 'হাওফাও'

হাপা, 'হেপা (জন্তু বিশেষ)'

হামাহি, 'হেমাহি'

হেঙাৰ, 'বাধা'

হোজা, 'সৰল'

৭.২১.৩ গাৰো ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ ঃ

আৰা, 'ঝুম খেতি'

আৰাদোঙা, 'হাহিমৰ ওচৰৰ এখন ঠাই অথবা নদী, গাৰো ভাষাত যাৰ অৰ্থ-যিখন নদীৰ পাৰত ঝুম খেতি কৰা হয়'

কুল্‌চি, 'কলহী নদী'

চাং, 'চাং'

ঝ'ৰা, 'নিজৰা'

তিক্‌লি, 'টেকেলি'

থেখ্রা, 'থেকেৰা টেঙা'

দোঙা, 'দোং'

ধোলা, 'ডাঙৰ'

নোনো, 'ভাই অথবা ভনী'

মাচাং, 'কাঠ ফালিবৰ বাবে পতা চাং'

লুংখা/ লুংখি, 'খাং'

## ৭.২২ অষ্ট্রিক ভাষাবোৰৰ সৈতে সাদৃশ্য থকা শব্দ ঃ

অসমীয়া ভাষাত অষ্ট্রিক ভাষাৰ বহুতো শব্দ পোৱা যায়। ৰাভামিজতো অষ্ট্রিক ভাষাৰ কিছুমান শব্দ পোৱা যায়। সম্ভৱতঃ ৰাভাসকলে এই শব্দসমূহ অসমীয়া ভাষাৰ মাজেদি লাভ কৰিছে। তেনেকুৱা ধৰণৰ শব্দ কিছুমান তলত উল্লেখ কৰা হ'ল।[১১]

### ৭.২২.১ খাছী ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ ঃ

কাবু, 'কাবু কৰা'

খ'ং, 'খং'

খামুচ, 'খামোচ'

জাহা, 'জহা'

জেংজেং, 'জেং জেং'

ঝাপা, 'জপা'

দোং, 'দোং'

১১. উৎস ঃ Kakati, B.K.: প্ৰাগুক্ত গ্ৰন্থ, ১৯৪১, ছেদ নং. ৫৭-৭৩.

দোমাচা, 'বৰ্ণ সংকৰ'

ভুৰা, 'মতা গাহৰি'

ভুৰী, 'মাইকী গাহৰি'

সালম'ন, 'সালমন'

৭.২২.২ মুণ্ডাৰী ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ ঃ

চিক্‌ৰা, 'চিকৰা'

তুপুৰা, 'সৰু আৰু ঘূৰণীয়া'

দাঙুৰা, 'ডঙুৰা, অবিবাহিত'

বিলা, 'বিতৰণ কৰা'

মাইকী, 'তিৰোতা'

লাতুম, 'লাটুম'

লেথেমা, 'লেথেমা'

সেৰ্‌কা, 'সেৰেকা, সোৱাদহীন'

হুতা, 'হুতা'

৭.২২.৩ চাওতালী ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ ঃ

আঁত, 'ওতা'

আলাবাদু, 'আলাবাদু'

গঙৰা, 'খঙাল'

ঘুত মুত, 'ঘুটমুট, চুটি চাপৰ'

জন্‌জাল, 'জঞ্জাল'

তেজপিয়া, 'এবিধ সৰীসৃপ বিশেষ'

তোপা, 'তোন'

দ'ব্‌লা, 'ডৰা'

দ'ধ'ৰ ম'ধ'ৰ, 'দোধোৰ মোধোৰ অৱস্থা'

ধিপ, 'টিপ'

ধুমা, 'ডাঙৰ'

পাহাৰ, 'পাহাৰ'

ভোদা, 'মূৰ্খ'

### ৭.২৩ টাই-আহোম ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ ঃ

আহোমসকলে ত্ৰয়োদশ শতিকাৰ পৰা উনবিংশ শতিকাৰ আদি ভাগলৈ ছশ বছৰ কাল অসমত শাসন কৰিছিল। পিছলৈ তেওঁলোকে অসমীয়া ভাষা গ্ৰহণ কৰিছিল। কিন্তু তেওঁলোকৰ পুৰণি শব্দ কিছুমান তেওঁলোকৰ মাজত প্ৰচলিত হৈ থাকিল আৰু তাৰে কিছুমান শব্দ অসমীয়া ভাষাত সোমাই পৰিছে। ৰাভাসকলৰ কথিত অসমীয়া বা ৰাভামিজতো আহোম ভাষাৰ দুই এটা শব্দ মান্য অসমীয়া ভাষাৰ যোগেদি প্ৰৱেশ কৰিছে। তেনেকুৱা ধৰণৰ কিছুমান শব্দ হ'ল[১২]—

তাকালি, 'টকালি'

প'খা, 'পোখা মেল'

পাং, 'পৰিকল্পনা কৰ'

পুং, 'পানীৰ উঁহ'

ফেতা, 'ভাঁজ, কুঁজা'

ব'ং ব'ং, 'ফুটা'

হাই, 'হাই-উৰুমি'

---

১২. উৎস ঃ Kakati, B.K.: প্ৰাগুক্ত গ্ৰন্থ, ছেদ নং. ৮১

## ৭.৩০ সংস্কৃত আৰু সংস্কৃত-মূলীয় ভাষাৰ শব্দ ঃ

### ৭.৩১ সংস্কৃত-মূলীয় শব্দ ঃ

অসমীয়া ভাষাৰ মূল হৈছে প্ৰাচীন ভাৰতীয় আৰ্য ভাষা। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাই পালি, প্ৰাকৃত আৰু অপভ্ৰংশ স্তৰৰ মাজেদি বিকাশ লাভ কৰি অসমীয়া, বাংলা, উড়িয়া আদি নব্য ভাৰতীয় আৰ্য ভাষাৰ উদ্ভৱ হৈছে। এইবোৰ ভাষাত সংস্কৃত ভাষাৰ শব্দ তিনিটা ৰূপত ৰক্ষিত হৈছে — তৎসম, অৰ্দ্ধ তৎসম আৰু তদ্ভৱ। ৰাভাসকলৰ কথিত অসমীয়া বা ৰাভামিজত প্ৰধানকৈ অৰ্দ্ধ তৎসম আৰু তদ্ভৱ ৰূপত সংস্কৃত ভাষাৰ শব্দৰ প্ৰয়োগ ঘটিছে। তৎসম শব্দৰ প্ৰয়োগ ৰাভামিজত নাই বুলিবই পাৰি। ৰাভামিজত ব্যৱহাৰ হোৱা সংস্কৃত-মূলীয় শব্দ কিছুমান তলত উল্লেখ কৰা হ'ল।

| ৰাভামিজ | সংস্কৃত |
|---|---|
| অ'ইৰান | অৰণ্য |
| আকাখ/ আকাছ | আকাশ |
| আচাৰ | আচৰণ |
| আতা | আত্মন |
| ইৎছ'ৰ | ঈশ্বৰ |
| উছুৰ্গা | উৎসৰ্গ |
| উৎছ'ৰ | উৎসৱ |
| উহা | উশাহ |
| উহা | উষ্ম |
| কাতা | কণ্টক |
| কাৰা | কৃষ |
| কুৰ | কুণ্ড |
| কুহ'ৰি | কুহেলিকা |
| কাৰ্ক'ৰ | কৰ্কট |
| কুমাৰ | কুম্ভকাৰ |

| | |
|---|---|
| কামাৰ | কৰ্ম্মকাৰ |
| ক'ৰ্ফুল | কৰ্পূৰ |
| কাছু | কচ্ছপ |
| কাদ'ম/কাদ'ং | কৰ্দম |
| খাৰা | খাণ্ডা |
| গ'ন | গন্ধ |
| গাৰা/ গাতা | গৰ্ত্ত |
| গাথি | গ্ৰন্থি |
| গিৰি | গৃহী |
| ঘিউ | ঘৃত |
| চ'খু | চক্ষু |
| চ'ৰিখা | চণ্ডিকা |
| চাম | চৰ্ম |
| সুগুন/ছুগুন | শকুন |
| চিথা | শিষ্ট |
| চিয়াল/সিয়াল | শৃগাল |
| ছ'ংছাৰ | সংসাৰ |
| জাথা | যন্ত্ৰ |
| জিউ | জীৱ |
| ঝেৰা | দুহিতা |
| তিৰি | স্ত্ৰী |
| দিফিৰা | দ্বিপ্ৰহৰ |
| দুমুৰু | উডুম্বৰু |
| দেউৰী | দেৱগৃহী |
| দেধানী | দেৱধ্বনি |

| | |
|---|---|
| ধ'ৰ'ম | ধৰ্ম |
| ধুঙা | ধুম্র |
| প'দ্দ' | পদ্ম |
| প'দ্দা | পদ্মা |
| প'ৰলায় | প্ৰলয় |
| পাউৰা | পাৰাৱত |
| পিথি | পৃষ্ঠ |
| পেক্ | পঙ্ক |
| পুদুলি | প্ৰতোলী |
| বেহাৰ/বেছৰ | বেসৱাৰ |
| বাচ্চা/বাছা | বৎস |
| বাত্ৰা | বাৰ্তা |
| বাৰা | বৰাহ |
| বুইত্ | বহিত্ৰ |
| বুউ | বধু |
| ব'হাৰী | ব্যৱহাৰিকা |
| ভ'ইছ্ | মহিষ |
| ভুখ | বুভুক্ষা |
| ভুঙুৰি | ভ্ৰম |
| ম'ইৰা | ময়ূৰ |
| ম'জু | মঞ্জু |
| মাদ'ল | মন্দাৰ |
| ৰাজা | ৰাজন |
| ৰাইজ্ | ৰাজ্য |
| লাজ্ | লজ্জা |
| স'ইত | সত্য |

### ৭.৩২ প্ৰত্ন-অসমীয়া ভাষাৰ শব্দ ঃ

অসমীয়া ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন পোৱা যায় 'চৰ্য্যাপদ' আৰু 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ত। খৃষ্ঠীয় অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচনা কৰা এই দুখন পুথিৰ ভাষাত অসমীয়া ভাষাৰ উপৰিও বাংলা, উড়িয়া, হিন্দী আদি ভাষাৰ বৈশিষ্ট্যও চকুত পৰে। সেই কাৰণে এই ভাষাটোক এই কেইটা ভাষাৰ বিকাশৰ পূৰ্ব স্তৰৰ ভাষা বুলি কৈ 'প্ৰত্ন-অসমীয়া ভাষা' নামেৰে নামকৰণ কৰা হৈছে।[১৩] ৰাভাসকলৰ কথিত অসমীয়া বা ৰাভামিজতো 'চৰ্য্যাপদ' আৰু 'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ত থকা বহুতো শব্দৰ প্ৰয়োগ দেখা যায়। তেনেকুৱা ধৰণৰ শব্দ কেতবোৰ হ'ল—

| ৰাভামিজ | চৰ্য্যাপদ/ শ্ৰীকৃষ্ণকীৰ্ত্তনৰ ভাষা | মান্য অসমীয়া |
|---|---|---|
| অ'ৰ'শ | অৰশ | অৰশ |
| আঙুলি | আঙ্গুলি | আঙুলি |
| আজি | আজি | আজি |
| আম্ৰা | আম্বড়া | অমৰা |
| উথ্ | উঠ | উঠ |
| উ | উহ্ | উৎস |
| উজা | উজাঅ | উজা |
| উজান | উজান | উজান |
| ক'দ'ম | কদম | কদম |
| ক'ম্লা | কমলা | কমলা |
| কুৰ্মা | কুড়ম্বা | আলহী |
| কুথাৰ | কুঠাৰ | কুঠাৰ |
| খ'ং | খঙ্গ | খং |
| খা | খা | খা |

১৩. গোস্বামী, উপেন্দ্ৰ নাথ ঃ প্ৰাগুক্ত গ্ৰন্থ পৃ. ১৫৬

| | | |
|---|---|---|
| খাল | খাল | খাল |
| খাত | খাট | খাট |
| খেলা | খেলা | খেল |
| গ'ল | গল | ডিঙি |
| গাতা | গাতী | গাঁত |
| গেল | গেল | গ'ল |
| গোহালি (দেও) তু. গুলি | গোহালী | গোহালী |
| ঘ'ৰ | ঘৰ | ঘৰ |
| ঘ'ৰিয়াল | ঘড়িআল | ঘঁৰিয়াল |
| ঘাত | ঘাট | ঘাট |
| চিৰি | চিৰী | ফালি |
| তেহাৰ/তুহাৰ | তোহাৰি | তোমাৰ |
| প'তিয়াই | পতিয়াই | পতিয়ন যোৱা |
| প'হিল/প'হিলা | পহিল | প্ৰথম |
| পানি | পানী | পানী |
| ফাল | ফাল | ফাল |
| বাকাল/বাকালা | বাকল | বাকলি |
| বাথান | বাথান | বাথান |
| ব' | ব | বহ |
| বেং | বেঙ্গ | ভেকুলী |
| বোহাৰী | বহুড়ি | বোৱাৰী |
| ভাত | ভাত | ভাত |
| ভাতাৰ | ভতাৰি | গিৰিয়েক |
| ভালুক | ভালুক | ভালুক |
| ভিত'ৰ | ভিতৰ | ভিতৰ |

| | | |
|---|---|---|
| ভেল | ভেলা | ভুৰ |
| মাদুলি | মাদলা | মাদুলি |
| মিচ্ছা | মিচ্ছা | মিছা |
| মুকুল | মুকল | মুকলি |
| ৰাতি | ৰাতি | ৰাতি |
| ৰুপা | ৰূপা | ৰূপ |
| লাগি | লাগি | লৈ |
| সুতা | সূতা | সূতা |
| সিক'ল/ ছিকল | সিকল | শিকলি |
| হাক্ | হাক | বাধা |

৭.৬৩ প্ৰাচীন আৰু মধ্য যুগৰ অসমীয়া শব্দ ঃ

চৰ্য্যাপদৰ পাছত অসমীয়া ভাষাৰ বিস্তৃত নিদৰ্শন পোৱা যায় প্ৰাচীন আৰু মধ্য যুগৰ অসমীয়া সাহিত্যত। প্ৰাচীন অসমীয়া সাহিত্য আৰু ৰাভাসকলৰ কথিত অসমীয়া বা ৰাভামিজত ব্যৱহাৰ হোৱা শব্দ কিছুমানৰ মাজত সাদৃশ্য পৰিলক্ষিত হয়। তেনেধৰণৰ শব্দ কিছুমান তলত উল্লেখ কৰা হ'ল।

| ৰাভামিজ | প্ৰাচীন আৰু মধ্য যুগৰ অসমীয়া |
|---|---|
| আঙাৰা | আঙ্গাৰ |
| আতা | আতা (ককা) |
| আন্ধাৰ | আন্ধাৰ |
| আবু | আবু (আইতা) |
| আম | আম |
| ইন্দুৰ | ইন্দুৰ |
| এক্‌লাই | এক্‌লাই (অকলে) |

| | |
|---|---|
| কুপ্তি | কপৰতি |
| ক'ম'ৰ্ | কমৰ |
| কাংকাৰা | কাঙ্কাৰা |
| কুয়া | কুয়া (গেলা) |
| কাউৰ্ | কাউৰ |
| গ'ন্ | গন্ধ |
| গ'ল্ | গল (ডিঙি) |
| গাছ্ | গাছ |
| গাল | গাল |
| চ'খু | চখু |
| চাৰ্ | ছাৰ (এৰ্) |
| ছাগ'ল্ | চাগল |
| জাম্ | জাম (জামু) |
| দাৰু | দাৰু (ঔষধ) |
| পাচ্ৰা | পাচৰা |
| পেতা কাৰ্ | পেটা কাড় |
| ব'য়া | বয়া (বেয়া) |
| বালা | বালা |
| বাত্ৰা | বাত্ৰা |
| বান্ধা | বান্ধা (চাকৰ) |
| ভেল্ | ভেল (ভুৰ) |
| সুখা | শুখা |
| সাৰা | সাৰা |

| | |
|---|---|
| সাং কৰ্ | সাঙ্গ কৰ |
| সিথান্ | শিথান |
| সিন্দুৰ্ | সিন্দুৰ |
| হাথি | হাথী |
| হানি | হানি |

৭.৩৪ বাংলা ভাষাৰ সৈতে সাদৃশ্য থকা শব্দ[১৪] ঃ

আম্ৰা, 'অমৰা'
কাক্ৰা, 'কেঁকোৰা'
কিৰা, 'শপত'
কুঞ্জ'লিকা,'কুমজেলেকুৰা'
কোক্ৰা, 'বেঁকা'
কোদাল্, 'কোৰ'
খোন্তা, 'খন্তা'
গাছা, 'গছি'
গাজা, 'গজালি'
গাম্ছা, 'গামোছা'
গোবৰ্ প'কা, 'গুবৰুৰা'
চ'ৰ'ক্, 'বজ্ৰপাত'
চুলা, 'জুহাল'
চেং, 'চেঙেলি'
তাম্কু, 'ধপাত'
দৰ্জা, 'দুৱাৰ'
দাও, 'দা'
দাম্ৰা, 'দমৰা'
দিমা, 'কণী'
নালা, 'নৰ্দমা'

১৪. (ক) উৎস ঃ ফুকন পাটগিৰি, দীপ্তি ঃ অসমীয়া, বাংলা আৰু উড়িয়া ভাষা (তুলনামূলক অধ্যয়ন), ২০০৪, পৃ. ১৩৯-১৪৮
(খ) গোস্বামী, উপেন্দ্ৰ নাথ ঃ প্ৰাগুক্ত গ্ৰন্থ পৃ. ১৪-১৫

নুন্, ‘নিমখ’

পাতা, ‘মৰাপাট’

পিপ্ৰা/ পিপ’ৰ, ‘পৰুৱা’

পুই, ‘পুৰৈ শাক’

বাঙি, ‘এবিধ ফলৰ নাম’

বাও, ‘বতাহ’

বালা, ‘বালি’

ভিজ্, ‘ তিতা’

ভুৰ্কা, ‘ ভুলোৱা’

মাক্ৰা, ‘মকৰা’

মাথা, ‘মুৰ’

ৰহুন/ ৰছুন, ‘নহৰু’

লেবু, ‘নেমু’

## ৭.৬৫ হিন্দী ভাষাৰ শব্দ[১৫] ঃ

আত্‌কাল, 'আওভাও, অনুমান, জোখ-মাপ'
আতা, 'আটা'
আধুৰা (হি. অধুৰা), 'আধৰুৱা'
আধিলি ( হি.আধেলি), 'আধলি'
ক'ৰ'ত, 'কাঠ কটা বা ফলা অস্ত্ৰ'
খ'ন্তি, 'মাটি খন্দা চিপৰাং জাতীয় অস্ত্ৰ'
খাট্, 'খাট, চালপিৰা'
খাটি, 'বিশুদ্ধ'
খাপ্‌ৰি, 'ঘৰৰ চাল কৰিবৰ কাৰণে তৈয়াৰ কৰা চেপেটা ইটা'
খোৰা, 'লেঙেৰা, বিকলাঙ্গ'
গাজাখুৰী, 'ভিত্তিহীন কথা, নিচাৰ জালত কোৱাৰ নিচিনা কথা'
গাজাখোৰ, 'ভাঙুৰী'
গাঞ্জা, 'ভাং'
গান্ধী, 'গান্ধী পোক'
গুদাম, 'ভঁৰাল'
গুণ্ডা, 'দুৰ্জন, অসৎ লোক, দুশ্চৰিত্ৰৰ লোক'
গুলি, 'বন্দুকৰ গুলি'
গোফ, 'মোচ'
গোলা, 'দোকান'
ঘ'টি, 'লোটা'
ঘাউ, 'ঘা, জখম'

---

১৫. উৎস ঃ মালিক, চৈয়দ আব্দুল ঃ অসমীয়া ভাষাত মধ্য-প্ৰাচ্য আৰু উত্তৰ ভাৰতৰ শব্দ সম্ভাৰ, ১৯৯৮

ঘাটি, 'আস্থান, আড্ডা'

ঘানি, 'তেল পেৰা যন্ত্ৰ'

ঘুন্, 'কাঠ খোৰা এবিধ সৰু পোক'

ঘোচ্, 'উপঢৌকন'

চানা, 'বুট মাহ, গাখীৰৰ সৰ'

চানাচুৰ, 'ভজা বুট-মাহ, মছলা আদি মিহলাই প্ৰস্তুত কৰা এবিধ খাদ্য'

চানাচুৰৱালা, 'চানাচুৰ তৈয়াৰ কৰা আৰু বিক্ৰী কৰা মানুহ'

ছাজা, 'পকী  ঘৰৰ চালৰ বাহিৰলৈ ওলাই থকা অংশ'

ছালগোম, 'এবিধ পাচলি'

ছিলিম, 'ভাং খোৰা পাত্ৰ'

ছুপাৰি, 'শুকান তামোল'

জুল্/ ঝুল্, 'তৰকাৰীৰ পনীয়া অংশ'

জুল্না/ ঝুল্না, 'দোলনা'

ঝঞ্জাট্, 'বিপদ, প্ৰতিকুল পৰিস্থিতি'

ঝাৰু, 'সোঁতা, বাঢ়নি'

ঝালা, 'জলকীয়াৰ  পোৰণি'

তাত্কা, 'নতুন, সতেজ'

তিকিৰা, 'ডোখৰ, অংশ'

তুক্ৰি, 'সৰু পাচি'

তেৰা, 'বেঁকা'

তেৰি-মেৰি, 'বেঁকা-বেঁকি'

থ'ক, 'ঠগ, প্ৰবঞ্চক'

থ'ক্কৰ, 'আঘাত, টুকুৰিওৱা, খুন্দিওৱা'

থ'ক্ বাজী, 'ঠগবাজী, প্ৰবঞ্চনা কৰা কাৰ্য'

থ'গা, 'ঠগা, প্ৰতাৰণা কৰা কাৰ্য'

থাত্তা, 'ঠাট্টা, ইতিকিং কৰা, জোকোৱা'

থিকা, 'ঠিকা, চুক্তি সাপেক্ষে কৰা কাম'

থিকাদাৰ, 'ঠিকা কাম কৰোঁতা'

থিকানা, 'ঠিকনা'

থেকা, 'ঠেকা'

থেলা, 'ঠেলা, হেচা'

থেলা গাড়ী, 'ঠেলা গাড়ী'

থেলাৱালা, 'ঠেলা চলাওতা'

থাপ্প'ৰ, 'থপৰিওৱা, চৰিওৱা'

থাম্, 'খুটা'

থাল্, 'কাঁহী'

দ'কাইত্, 'গাৰ বলেৰে বস্তু কাঢ়ি নিওতা'

দান্দা, 'দাণ্ডা, মাৰি, লাঠি, সৌকা'

দালা, 'কুলা'

দাৰি, 'গোঁফ'

ধ'নিয়া, 'এবিধ মছলা'

ধ'ম'ক, 'ভয় খুওৱা'

ধাক'নি, 'ঢাকনি, আৱৰণ'

ধাল্, 'ঢাল'

ধালাই, 'সাঁচত বাকী দিয়া কার্য'

ধান্দা, 'চিন্তা-ভাৱনা'

ধাপ্পা, 'ফাকি প্ৰতাৰণা'

ধুৰা, 'গাড়ীৰ ধুৰা'

ধোকা, 'ফাকি'

ধোচা, 'কম্বল'

নাথা, ‘গৰুৰ নাকী ৰচীৰে বন্ধা বা গাঁঠি দিয়া, নাথনি’
পাক্ৰা, ‘ধৰা’
পাখাল্, ‘পানীৰে ধোৱা’
পুৰিয়া, ‘ঔষধৰ সৰু টোপোলা’
ফুল্জাৰি, ‘আতচবাজী’
ফেৰী, ‘ঘৰে ঘৰে বস্তু বেচি ফুৰা’
ফেৰীৱালা, ‘ফেৰী কৰোঁতা’
ব’ৰিয়া/ব’ঢ়িয়া, ‘উত্তম’
বাঢ়াই, ‘প্ৰসংশা, গুণ গাণ’
বেচ’ন, ‘বুট-মাহৰ গুড়ি’
বেল্চা, ‘এক প্ৰকাৰৰ কোৰ’
ভ’ম’ক, ‘হঠাৎ জুই জ্বলি উঠা’
ভল্ভলীয়া, ‘কথা চহকী লোক’
ভাতা/ ভাতী, ‘ইটাৰ ভটা, কাৰখানা’
ভিন্দি, ‘ভেন্দি, এবিধ পাচলি’
ভিৰ্, ‘বহুত মানুহৰ সমাবেশ’
মিহি, ‘নিমজ’
মিথাই, ‘মিঠাই’
মোৰা, ‘মূঢ়া’
মেহ্ন’ত্, ‘শ্ৰম, কষ্ট’
মোল্, ‘মূল্য’
ৰছ্গোল্লা, ‘ৰসগোল্লা, এবিধ মিঠাই’
ল’ং, ‘লং, এবিধ মছলা’
লাল’ছ, ‘লালসা, লোভ’
লিক্, ‘গাড়ীৰ চকাৰ দাগ’

লেচা, 'সূতাৰ লেচা'

লেথা, 'দিগদাৰী, অসুবিধা'

৭.৩৬ কামৰূপী উপভাষাৰ সৈতে সাদৃশ্য থকা শব্দ[১৬] ঃ

অ'ইৰান, 'অৰণ্য'

অ'চ'ৰ, 'ওচৰ'

অ'জা, 'ওজা'

আনা, 'অনা'

আঙ্ৰা, 'এঙাৰ'

আঙামুৰি, 'এঙামুৰি'

আচুৰ্, 'আচোঁৰ'

আজ্‌নি, 'আচিনাই'

আজ্‌লা, 'অজলা'

আজ্‌লি, 'আজলী'

আজাৰ্, 'এজাৰ'

আতা, 'ককা'

আধাৰ, 'আহাৰ'

আন্ধাৰ্, 'এন্ধাৰ'

আপা, 'ল'ৰা'

আপী, 'ছোৱালী'

আবু, 'আইতা'

আম্‌ৰা, 'অমৰা ফল'

---

১৬. উৎস ঃ (ক) Goswami, U.N. : **A Study on Kamrupi : A Dialect of Assamese,** 1970
(খ)গোস্বামী, উপেন্দ্ৰ নাথ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৯২-৯৫
(গ)ভৰালী, বিভা ঃ কামৰূপী উপভাষা- এটি অধ্যয়ন, ২০০৪
(ঘ)চক্ৰৱৰ্ত্তী, মুকুল ঃ লুপ্তপ্ৰায় কামৰূপী শব্দ- উৎস আৰু প্ৰয়োগ, ২০০২

আলোৰা, 'আৰৈ চাউল'

ইন্দুৰ্, 'এন্দুৰ'

উৰিয়াম, 'মধুৰি আম'

ক'ঙা, 'কোঙা'

ক'ৰ্দে, 'কৰ্দৈ'

ক'ৰ'চ, 'হেতা'

ক'ল্তা, 'কলিতা'

ক'ল্চি, 'কলহ'

ক'য়্, 'কাৰৈ'

কাউৰ্, 'কাউৰী'

কাক্ৰা, 'কেঁকোৰা'

কাকিল'ন, 'কেৰেলা'

কাগ'ছ, 'কাগজ'

কাচা, 'কেঁচা'

কাচু, 'কাছ'

কাত্ৰি, 'কটাৰি'

কাথাল, 'কঁঠাল'

কাথি, 'পিৰালি'

কানা, 'কেনা, ভুল'

কাপুৰ, 'কাপোৰ'

কাবো, 'কাবৌ'

কাৰে, 'কৰাই'

কালা, 'ক'লা'

কাহা, 'কেঁহা'

কুপ্তি, 'কপৌ'

কুম্ৰা, 'কোমোৰা'

কুৰ্মা, 'কুটুম্ব'

খ'লে, 'খালৈ'

খাতা, 'চুটি'

খেলা, 'খেল'

গ'ন'ক, 'গণক, দৈৱজ্ঞ'

গ'ৰে, 'গৰৈ মাছ'

গ'লি, 'গোহালি'

গ'ম্থা, 'গোমোঠা'

গাছা, 'গছা'

গাতা, 'গাঁত'

গাধা, 'গাধ'

গাম্ছা, 'গামোছা'

গুৰি, 'গোৰ'

ঘাগাৰ্/ ঘাঙাৰ্, 'খেকাৰ'

ঘ'ত্, 'ঘট, উপাৰ্জন কৰ'

ঘুম্তি, 'টোপনি'

চ'ক্ৰি, 'পখিলা'

চ'খু, 'চকু'

চ'খা, 'চকা'

চ'ত'ল, 'চোতাল'

চ'ৰ্প'ত, 'চৰবত'

চ'লা, 'চোলা'

চাকা, 'চোকা'

চাঙ্লি, 'চালনি'

চিক্ৰা, 'চিকৰা'

চিলা, 'চিলনী'

ছিক'ল্, 'শিকলি'

জ'ক্ৰা, 'কৰ্কৰা ভাত'

জ'খা, 'জোখ'

জ'গ'ৰ্, 'দোষ'

জ'গাৰ, 'যোগাৰ'

জ'ত, 'জোঁট'

জ'ল্পে, 'জলফাই'

জ'হ'ৰা, 'জাৰজ'

জুৰুল, 'জৰুৰ'

জাখা, 'জাকৈ'

জিকা, 'তিতা'

জিবা, 'জিভা'

জুখ্, 'জোক'

তাকা, 'টকা'

তানা, 'টনা'

তামুল, 'তামোল'

তাৰা, 'তৰা'

তুপ্লা, 'টোপোলা'

তেঙ'ল, 'তমাল'

তেল্ভৌকা, 'পইতাচৰা'

থাৰা, 'ঠাৰি'

থুথ্, 'ঠোঁট'

থুপা, 'থুপ'

দ'হা, 'দ'

দামা, 'দম'

দিপিৰা/ দিফিৰা, 'দুপৰীয়া'

দুব্ৰি, 'দূৰৰি'

দিমা, 'কণী'

দুম্, 'কৈৱৰ্ত্ত'

দুম্ৰু, 'ডিমৰু'

দেওকাত্ৰা, 'দহি কতৰা'

দেনা, 'পাখি'

ধ'দ'ং, 'বৰটোকোলা'

ধাৰা, 'ঢাৰি'

ধুথ্ৰি, 'থুতুৰি'

নুন্, 'নিমখ'

নাঙ্লা, 'নঙলা, পদূলি'

প'কা, 'পোক'

পাউৰা, 'পাৰ'

পুই, 'পুৰৈ শাক'

পাতা, 'পটা'

পিচ্লা, 'পিছল'

পিপ'ৰ্, 'পৰুৱা'

পিয়াছ্, 'পিয়াজ'

পেতা, 'পেটু'

ব'ইনী, 'ভনী'

ব'ইথা, 'বঠা'

ব'ন্নাই, 'বৰ্ণনা কৰি'

ব'ৰ্হান্, 'বৰষুণ'

ব'ৰৈপুৰা, 'ব্ৰহ্মপুৰা'

ব'ল্লি/ বাল্লি, 'বৰালি মাছ'

বাংনা, 'বেঙেনা'

বাছ্, 'গোন্ধ'

বাৰা, 'বৰা'

বালা, 'বালি'

বুন্, 'বন'

বুক্, 'বুকু'

বেকেৰা, 'বেঁকা'

বেৰা, 'বেৰ'

বেলা, 'সময়, সূৰ্য'

বেহাৰ্, 'সৰিয়হ'

ভ'ম্ৰা, 'ভোমোৰা'

ভাখেৰি/ ভাখিৰি, 'ভঁৰাল'

ভাঙা, 'ভঙা'

ভাজা, 'ভাজি'

ভাতু, 'ভাটৌ'

ভাথি, 'ভাটি'

ভিজ্, 'তিতা'

ভিথা, 'ভেটি'

ভিনি, 'ভিনিহি'

ম'না, 'মোনা'

মিথে, 'মিঠাই'

মুচ্, 'মোচ'

মেখ্‌লা, 'মেখেলা'

মৈৰা, 'ময়ুৰ'

ৰ'ছ্‌, 'ৰস'

ৰাহি, 'ৰাশি'

ৰুপা, 'ৰূপ'

ল'তা, 'লোটা'

ল'ব'ৰ, 'ৰবৰ'

ল'হা, ' লো'

লাংতা, 'নাঙঠ'

লুম, 'নোম'

লুৰু, 'এছাৰি'

লুৰা, 'নুৰা'

লেঙুৰ্‌, 'নেজ'

সত্‌ৰা, 'সোঁতোৰা'

স'ৱাদ্‌, 'সোৱাদ'

সাখো, 'সাঁকো'

সালা, 'শলা'

সাল্লি, 'সৰালি'

সুখ্‌না, 'শুকান'

সেংকে, 'তেনেকৈ'

সেম্‌থা, 'সেমেকা'

হ'জা, 'হোজা'

হাঙাৰ, 'হেঙাৰ'

হাথি, 'হাতী'

হাৰা, 'হাড়'

৭.৬৭ গোৱালপৰীয়া উপভাষাৰ সৈতে সাদৃশ্য থকা শব্দ[১৭] ঃ

আগাল্, 'আগ'

আগুন্, 'জুই'

আচ্, 'আঁক'

আঙ্থা, 'আঙঠা'

আঙ্থি, 'আঙঠি'

আঙ্ৰা, 'এঙাৰ'

আতা, 'ককা'

আতাফল্, 'আতলচ'

আদ'ৰ্, 'মৰম'

আদুৰীয়া, 'মৰম আকলুৱা'

আন্ধাৰ্, 'এন্ধাৰ'

আবু, 'আইতা'

আম্ৰা, 'অমৰা'

আমিৰা, 'আমি'

আল্ছি, 'এলাহ বা ভাগৰ'

আল্ছিয়া, 'এলেহুৱা'

আৰো, 'আৰু'

ইন্দুৰ্, 'এন্দুৰ'

উক্নি, 'ওকনি'

উৰি, 'উঁই পৰুৱা'

উৰুন, 'উৰাল'

কাক্ৰা, 'কেঁকোৰা'

কাথাল্/ কাথল্, 'কঁঠাল'

১৭. উৎস ঃ গোস্বামী, উপেন্দ্র নাথ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৯৫-১৪২

কানা, 'কণা'

কালা, 'ক'লা'

কাপুৰ, 'কাপোৰ'

কুম্ৰা, 'কোমোৰা'

কুৰা, 'কুঁৰলী'

কৈ, 'কাৱৈ মাছ'

ক'দাল, 'কোৰ'

কোনবেলা/ কুন বেলা, 'কেতিয়া'

কোম'ৰ্, 'কঁকাল'

কোম্লা/ কুম্লা, 'কোমল'

খাতা, 'চুটি'

খোৰা, 'খৰাহি'

গ'লা, 'ডিঙি'

গ'ৰাই, 'গৰৈ মাছ'

গাইন্, 'উৰাল মাৰি'

গাছ, 'গছ'

গাৰা, 'গাঁত'

গেন্দা, 'নাৰ্জী ফুল'

গোঙা, 'গোজৰ'

ঘুগু, 'কপৌ চৰাই'

ঘোটি, 'ঘটি'

চাকা, 'চকা'

চাকা, 'চকল'

চেঙ্ৰা, 'ডেকা'

চেঙ্ৰী, 'গাভৰু'

জল্‌পাই, 'জলফাই টেঙা'

জাঙি, 'লাও আদিত দিয়া চাং'

জুৱান, 'যৌৱন'

ঝাপ্‌, 'জাপ'

ঝাপি, 'জাপি'

ঝাল্‌, 'জলা'

তালা, 'তলুৱা'

তিয়া, 'ভাটৌ'

থুপ্‌, 'স্তুপ'

দাম্‌ৰা, 'দমৰা'

দিমালি, 'ভৰিৰ কলাফুল'

দুবা, 'দূৰৰি বন'

ধাৰা, 'ঢাৰি'

নামা, 'চাপৰ, নামনি'

নে, 'ল'

প'দ্দ', 'পদুম'

পৰ্‌সু/প'ৰ্‌খু, 'পৰহি'

পাখা, 'চৰাইৰ পাখি'

পাথা, 'পঠা'

পিপ্‌ৰা, 'পৰুৱা'

ফাতা, 'ফাট'

ফোতা, 'ফোঁট'

ব'ইনী, 'ভনী'

ব'ইয়া, 'বেয়া'

ব'ৰ্, 'দৰা'

বাতা, 'শৰাই'

বালা, 'বালি'

বেং, 'ভেকুলী'

বোতি, 'মৈদা'

ফুতা, 'ফুটা, বিন্ধা'

মোটা, 'শকত'

ৰাখাল্, 'গৰখীয়া'

ৰাগ্, 'খং'

ৰূপা, 'ৰূপ'

লিতু, 'নেজ'

সিন্দ'ল/ সিদল, 'শুকান মাছৰ গুৰি'

সিম্‌লা, 'শিমলু'

হাৰ্গিলা, 'বৰটোকোলা'

হাতা, 'হেতা'

হুৰ্কা, 'ধুমুহা'

৭.৪০ স্বকীয় শব্দ ঃ

যিবিলাক শব্দ কোনো ভাৰতীয় আর্য ভাষা বা আর্য-ভিন্ন ভাষাত পোৱা নাযায় অথবা কোনো বিদেশী ভাষাৰ পৰাও অহা নাই; কিন্তু অকল ৰাভাসকলৰ কথিত অসমীয়া বা ৰাভামিজতহে পোৱা যায়, তেনেকুৱা শব্দবোৰক স্বকীয় শব্দৰ শ্ৰেণীত অন্তৰ্ভূক্ত কৰিব পাৰি। তেনে ধৰণৰ শব্দ কিছুমান হ'ল[১৮]—

অ'ক্ছি/ আক্ছি, 'বাঁজী ঔ'

অ'ক'ৰা গুতি, 'এগেৰুৱা'

অখৈয়া, 'অহংকাৰী'

অ'গ্ৰ'ংবাদ, 'অজ্ঞতাজনিত অপৰাধৰ বাবে প্ৰায়শ্চিত্ত বিধান'

অ'ঘোৰবাদ, 'অগম্য গমনৰ প্ৰায়শ্চিত্ত বিধান'

অ'ঙাৰি, 'ধোৱা চাং'

অ'চ'লবাদ, 'গো জনিত অপৰাধৰ প্ৰায়শ্চিত বিধান'

অ'ধ'মবাদ, 'অনিয়মৰ দ্বাৰা বিবাহ বা সহবাসৰ প্ৰায়শ্চিত্ত বিধান'

অ'তু অ'তু, 'সৰু সৰু' (শিশু মাত)

অ'ব'ৰ ব'ৰ, 'আকোঁৰগোজ, অঁকৰা'

অ'ব'ৰ ব'ৰীয়ানী, 'আঁকৰী'

অ'ৰাহী, 'উৰহী'

অ'ৰ'ং বাৰী, 'অৰণ্য'

আওঝাৰ, 'এজাৰ'

১৮. উৎস ঃ (ক) ৰাভা, প্ৰাণেশ্বৰ ঃ আলামালা, ২০০৪
(খ) ৰাভা হাকাচাম, উপেন ঃ ৰাভামিজ ঃ ভাষা আৰু নিদৰ্শন, ২০০৫
(বিঃদ্রঃ সমলৰাজি গৱেষকে ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা প্ৰত্যায়িত কৰিছে। )

আওৰাই-বাওৰাই, 'ইফালে-সিফালে'

আওৰালি-মাওৰালি, 'ছেদেলি-ভেদেলি'

আওতাই ল', 'ছাটি মাৰি ল' (উৰা কাপোৰ)

আউৰা লাগ্, 'প্ৰথমবাৰ সন্তান সম্ভৱা হ'

আকাছাৰি ক'ৰুৱা, 'ঈগল'

আখুতি, 'ঠেহ, অভিমান'

আখেৰুঙী, 'খঙাল, জেদী'

আগিয়া চিতা, 'এবিধ মদ প্ৰস্তুত কৰা দৰৱত লগোৱা গছ'

আগ্ৰা, 'এবিধ বন'

আগাল্ মঘা, 'আগ ছিগা' (বাঁহ)

আং চাং, 'অস্থিৰ, চট্‌ফটীয়া'

আংচু বিংচু, 'সেমেনা-সিমিনি'

আছু গাছ, 'এবিধ ৰং প্ৰস্তুত কৰাত ব্যৱহৃত গছ আৰু তাৰ চাল'

আচ্ৰা জাল্, 'খেৱালি জাল'

আজাং গাৰ্, 'অজগৰ'

আজে খাঞ্জা, 'আদ ডুখৰীয়া'

আজেঙা, 'এবিধ কাইটীয়া বৃক্ষ'

আতাং পিতাং, 'বিৰক্তি কৰ'

আতিয়া বছৰ্/ চন, 'যোৱা কালিৰ আগৰ বছৰ'

আত্ৰানি, 'বিৰক্তি কৰ'

আদাংগ্ৰেত, 'এবিধ বজ্ৰা জাতীয় শস্য'

আদি-বিদি, ‘অসুবিধা, দিগদাৰি’

আন্দু, ‘এলান্দু’

আখিলা, ‘এছাৰ মাৰ্’

আবা-জাবা, ‘কিবা-কিবি’

আম্বা লাৰু, ‘আম লখি’

আম’ত্, ‘যকৃত’

আৱালে ধাৱালে, ‘যিকোনো দিশলৈ, লক্ষ্যহীনভাৱে’

আৱাৰি প’কা, ‘এবিধ উৰণীয়া পৰুৱা’

আৰাল্, ‘আৰ্’

আৰেঙা, ‘অসহজ, অসৎ পুৰুষ’

আৰেঙী, ‘অসহজ, অসৎ নাৰী’

আলাংকাৰ-বিলাংকাৰ, ‘জল গুঁই’

আল্‌তা-চাল্‌তা, ‘অলপ ওচৰত’

আলাছাতা, ‘কোনোমতে, ওপৰে ওপৰে’

আলাংঝালাং, ‘আলেঙে আলেঙে’

আলালাং ঝালালাং, ‘লিংলিঙীয়া’ (দীঘল)

আলুং ঝালুং, ‘আউলি-বাউলি’

আলুৱা কাক’ৰ, ‘এবিধ ডাঙৰ আৰু ৰঙা প্ৰজাতিৰ কেঁকোৰা’

আয়্‌চা, ‘মাছ মাছ গোন্ধোৱা’

আয়্‌ৰ’ংচা, ‘কামত অমনোযোগী, অকামিলা’

আয়্‌ৰা চ’ৰে, ‘বন কুকুৰা’

আয়্‌ৰা ফুল, ‘এবিধ পৰম্পৰাগত ফুলৰ চানেকি’

ইগ্রি, ‘এৰাই যোৱা’

উক্‌চায়া, ‘ওপচি পৰা’

উকুচ-পুকুচ, ‘উচ্‌পিচাই থকা’

উক্‌তা, ‘নাকেৰে মাটি খোচৰ’

উক্‌তি, ‘পোৱালী নিদিয়া গাহৰি’

উকা, ‘জাগ্ৰত হোৱা’

উখ্‌না, ‘সোঁৰৰা’

উঘুলা, ‘উভাল’

উচুমাতি, ‘উমনিত বহা কুকুৰা’

উছম্ ফাক্, ‘থত্‌মত্ খা’

উধিয়া, ‘সোধ’

উন্দুৰা, ‘এৰুৱাই দিয়া’

উফলাং, ‘উপলুঙা’

উৰাং ফাৰাং, ‘উগুল থুগুল, উৰণীয়া’

উহুম্, ‘উমনি’

এন্দেৰ্-গেন্দেৰ্/ এন্দেল-গেন্দেল, ‘অতি বেছিকৈ আহাৰ খাই দেহ-মন ভাল নলগা অৱস্থা’

ওনা, ‘শুন’

ক’পিলি স’ৰ, ‘হাতী পটি ’

ক’ৰ, ‘কলি’

ক’ৰ্‌কা, ‘মাছ ধৰা এবিধ সঁজুলি’

ক’ৰ্‌পা, ‘কৰচ’

ক’য়া, ‘কেতেকী ফুল’

কাক্‌লি/কাক’লি, ‘কাষলতি’

কাকুৱা/কাকোৱা, ‘কাঁক বাঁহ’

কাচাৰ’ছ, ‘অনুষ্টুপীয়া ভোজ’

কাছুলা, ‘হাপানি’

কাথ'ল ফুলীয়া, 'ডাঠ হালধীয়া'

কানকুৰিকা, 'এবিধ চাকৈ চকোৰা'

কাফুৰ কাৰ্, 'তাঁত বাতি কাৰ'

কাম্, 'শ্ৰাদ্ধ'

কাম্‌ছায়া, 'ৰ'দ নপৰা ঠাই'

কাৰা, 'প্ৰথম মাটি চহোৰা'

কাৰা, 'তাত বাতি কাঢ়'

কাৰায় গুৰা, 'সান্দহ গুৰি'

কালি খেৰ্/ছান খেৰ্, 'ঘৰৰ চালৰ পুৰণি খেৰ'

কাহিকুলি, 'হেতুলুকা জাতীয় চৰাই'

কিন্দুলুক / কিন্দুলুকা, 'পানী কেচুৰা'

কিলিলিং কালালাং, 'লিংলিঙীয়া'

কুৰ্, 'পুখুৰী'

কুৰা, ' বোটল'

কুৰ্‌কুৰি থোপা, 'জুপিতৰা'

কেৰ্‌খা, 'বলিশাল'

কেং কেং, 'এফলীয়াকৈ ওলাই থকা'

কেং কেং, 'কেচুৰাই খেচ্‌খেচাই কান্দি থকা'

কেৰ্‌পেনা/ খেপেনা, 'ফেৰেঙনি'

কেলেং মেলেং, 'ক্ষীণ আৰু দীঘল' (মানুহ)

খ'ঙা মুউ, 'খোৰোঙত থকা মৌ-মাখি, খঙাল'

খ'ৰ্মা ৰাঙি/ পৰ্মা ৰাঙি, 'এবিধ আহু ধান'

খাগ্, 'খড়্গ'

খাতি, 'কাঠি'

খাপ'ৰ, 'যাঁঠি'

খাৰা, 'খড়্গ'

খুদুনা, 'খতুৰা শাক'

খেচ্‌ৰা, 'লেতেৰা'

খেপ'ং/ খেপেনা, 'চেপেনা, চিকটা'

গইল'ন্, 'আমলখি'

গ'ঙাৰ/ গ'জ'ৰা, 'গমঠা প্ৰকৃতিৰ, খঙাল'

গ'ং গ'ং, 'কোঁ কোঁৱাই' (যোৰা)

গ'ংগোলেঙা, 'হটঙা, ওখ-পাখ'

গ'থেয়া/ গাথিয়া, 'গাঁঠলু, চুটি চাপৰ'

গ'নকুচু, 'এবিধ তীব্ৰ ঘ্ৰাণযুক্ত বনৰীয়া কচু'

গ'ন্‌ছ'ৰায়/ গন্দসৰাই, 'এবিধ পৰৈ জাতীয় সুগন্ধিত গছ'

গ'বেনা/ গমেনা, 'গগণা'

গ'ৰ দাৰু, 'সন্তান জন্ম হৈয়ে মৰিলে মাতৃক পিন্ধাই দিয়া মাদুলি বিশেষ'

গ'ৰেয়া/ গেৰেয়া/ গেৰোৱা/ গ'ৰা, 'গোৰোহা'

গাইন্, 'উৰাল মাৰি'

গাও লেন্দেৰায়, 'গা ঘেলাই'

গাংতি, 'কাষলতি'

গাজা টেঙা, 'বাঁহ গাজ, পকা খৰিচা'

গাজালা/ গাজিলি, 'কুঁমলীয়া গছ'

গাদাইম'ল, 'এবিধ বন সৰিয়হ'

গাথিয়া তেংনা, 'সৰু শিঙৰা'

গাৰাং ক'ৰ্, 'ঘৰ বন্ধা আৰম্ভ কৰ'

গাৰাত্ লাগা, 'শুকাব নজানা ঘা'

গাৰি, 'দোপতি'

গাৰি, 'ঝুম খেতি'

গাৰি খা, 'ঝুম খেতি কৰ্'

গাৰি ৰ'কা, 'ঝুম তুলি চিকনা'

গাৰিয়া, 'এলেহুৱা'

গাল্দাদাপ, 'সকলো ফালে ঢাক খোৱাকৈ'

গাত্ৰা জাপি, 'চৈ সদৃশ পিঠিত পেলাই ল'ব পৰা এবিধ জাপি'

গাব্ৰা ঢাল্/ ছাৰ, 'গৰ্ভপাত কৰ'

গিৰ্কু, 'নিৰপেক্ষ লোক'

গুজি বাৰি, 'খৰিকা'

গুন্ৰাজ/ গুৰ্জা পাখিৰি/ গুন্দাৰি গাছ, 'এবিধ পৰজীৱী উদ্ভিদ'

গেঙেৰা, 'গজৰি-গমৰি উঠা'

গেন্দা ফুল্, 'নাৰ্জী ফুল'

গ'ৰা মত্, 'সেৰেকা মদ, আগদিনখন খোৱাৰ পিছত সেকি থৈ দিয়া মদ'

ঘ'ংগোলাই চা/ ঘংগোলেয়া চা, 'চকু ঘোপা কৰি চা'

ঘ'ৰ ঘেৰানি, 'মাক বিহুৰ উৰুকা দিনা এঁৰা সূতাৰে গৃহ বন্ধন কৰা পৰ্ব'

ঘ'ৰ চ'কিয়া, 'ঘৰ চিৰিকা'

ঘাক্ছি, 'গেদ্গেদী'

ঘাঙাৰ, 'খেকাৰ'

ঘাছুৰী, 'কাম-কাজ নজনা তিৰোতা'

ঘাতা, 'তিল'

ঘাৰ্, 'কান্ধ'

ঘাৰধানা, 'গলধন'

ঘিক্চা, 'ঘন জংঘল'

ঘিলু, 'মগজু'

ঘোগ্‌লা বেং, 'বামণ ভেকোলা'

ঘুৰি, 'নলীযুক্ত ঘটি'

গুন্তি, 'আলহী'

গুন্তি খা, 'মিটিৰ ফুৰিবলৈ যা'

চ'কা, 'চৰাই'

চ'ত্‌কি/ চন্তি, 'গছক'

চ'ৰা, 'থোক'

চ'ৰে মাহিৰি/ চৰাই মাহিৰি, 'থুপিতৰা'

চাতিয়া, 'কণ্ঠ'

চাল্‌তা, 'চেলেক, চাকি চা'

চালাঙি, 'চালনি'

চিকন্‌-চাকন্‌, 'চৌখিন'

চিত্ৰাং-বিত্ৰাং/ চিত্‌লাং বাত্‌লাং, 'চিৎখাই পৰা'

চিলাং-বিলাং, 'ভয়ত একো নাই হৈ দৌৰা'

চিল্লি প'কা, 'পইতাচৰা'

চুতমাৰা উকাৰা, 'খঙত একো নাই হৈ উগ্ৰমূৰ্ত্তি ধৰা'

চুল্‌তুং-মুল্‌তুং, 'অস্থিৰ'

চেং জাৰা, 'আদবলিয়া পুৰুষ'

চেং জাৰী, 'আদবলিয়া মহিলা'

চেঙা, 'পৰা'

চেম্‌থা, 'লিকটা'

ছাদু, 'শালপতি'

ছান্তিনি-ছুন্তিনি বান্ধ, 'কে'বাটাও বেৰ দি টানি কটকটীয়াকৈ দিয়া বান্ধ'

ছিৰা মত্‌, 'এবিধ মদ'

ছেলেলেক্‌, 'মৃত প্ৰায়'

ছেল্‌পেপেক্, 'একেবাৰে পনীয়া'

ছোংগ্ৰা, 'দুই সখিয়েকৰ বাপেকৰ মাজৰ সম্বন্ধ'

ছোংগ্ৰী, 'দুই সখিয়েকৰ মাকৰ মাজৰ সম্বন্ধ'

জ'ক্ ছুৰাৰ্, 'উৰণীয়া কেৰ্কেটুৰা'

জ'গ'নাত্/ জ'গ'না, 'ৰঙা লাও'

জাতু ক'ৰে/ জাতি ক'ৰি, 'সঁচাকৈ'

জাংধাৰা, 'কলাফুলৰ সন্মুখৰ অংশ'

জাম্‌নি/ জাম্‌ৰা কাকৰ, 'এবিধ মজলীয়া আৰু হালধীয়া প্ৰজাতিৰ কেঁকোৰা'

জাৰা বা, 'এবিধ বাঁহ'

জালাই-জাখাই, 'জলৌ-জপৌ, লাগ-বান্ধ নথকা'

জুই আংথা ব'ৰ'ন্, 'এবিধ বৰল'

জুপুপুক, 'আমন-জিমনকৈ'

জুবুৰ্/ জেৰা, 'কেঁকোৰাৰ শাহ'

জুৰ্‌কা/ জুৰ্‌খা /ঝুল্‌কি, 'জুলুকি'

জুল্ জুল্ কৰি/ জুলুলুক কৰি, 'ৰ লাগি, লোলুপ দৃষ্টিৰে'

জুল্‌তুক্-জাল্‌তাক্ ক'ৰি, 'জধলাকৈ'

জোঙা, 'মদৰ পাত্ৰ , তেনে পাত্ৰত থোৱা মদ'

জেং, 'জিম টেঙা পাতিবৰ বাবে তৈয়াৰ কৰা খোখা আকৃতিৰ প্ৰকাণ্ড সঁজুলি'

জোনা মাহী, 'জোনাকী পৰুৱা'

ঝক্‌ৰা ভাত্ 'কৰ্কৰা ভাত'

ঝ'ংক'ত, 'জগৰ'

ঝ'লম'ত্, 'এবিধ মদ বিশেষ'

ঝ'লেয়া, 'জধলা'

ঝাওৰা, 'আধা সিজা কৰ'

ঝাঙি, 'হেদালি'

ঝাপা গাজ্, 'জুৰিয়াকৈ দাঁত গজ'

ঝাৰ্, 'মদৰ চোক'

ঝাৰুৰা, 'বনজ, জাৰজ'

ঝাৰ বুৰা, 'বেছি দিনলৈ মদ পাতি থলে নষ্ট হোৱা অৱস্থা'

ঝালা, 'পুৰণি কুৰা বা খাল চাফা কৰা'

ঝাল্মা, 'তেলেতীয়া'

ঝিংকিনি মাহাৰি, 'জটুলা-জুটুলি চুলিৰ গৰাকিনী'

ঝিনকুতি উকোৰা, 'ভৰি আদিৰ জিনজিনি উঠা'

ঝিমা/ ঝেমা, 'ঢিলা, শিথিল, জিৰণি'

ঝিলিলিং-ঝালালাং/ ঝিলিলিং ঝিপিলিং, 'অপৰিপাটি'

ঝিলুক্, 'বাঁহ আদিৰ বাহিৰ ফালৰ সেউজীয়া অংশ'

ঝিলুলিউ, 'চিৰলা-চিৰলি'

ঝেংকেনা/ ঝিকিনি, 'বাঁহৰ জেং, বাঁহৰ ঠাল ঠেঙুলি'

ঝেল্মা প'কা, 'জামৰলি পোক'

ঝেল্পেপেক/ ঝেলপেতা, 'মৰহি যোৱা, সতেজ নোহোৱা'

ঝেলেপ্, 'জলম'

ঝেলেমলেম, 'অতি দীঘল, লেমলেমীয়া'

ঝেলেলেও, 'লেহুকা'

ত'ত্ৰেঙা, 'শুকাই খিনাই যোৱা'

তাংতাং (ৰ'দ), 'প্ৰখৰ ৰ'দ'

তাঙি, 'পানী জমা কৰা মাটিৰ ডাঙৰ পাত্ৰ'

তাতোৰা তিতা, 'কোৱামতুৰী জাতীয় তিতা ফল'

তাপ্লা/ তাপিলা, 'তপিনা'

তালি-বালি, 'ধেমালি, ৰগৰ'

তিক্ৰি/ তিক্লি বৰন, 'কোদো বৰল'

তিক্তিকালি, 'এবিধ সৰু ফৰিং'

তিল্কি/ তেল/ তেলাম ফৰেং, 'এবিধ তেলযুক্ত ধাননিত পোৱা ফৰিং'

তেতাই-ব'ক'ৰাই, 'চিঞৰি-বাখৰি'

তেক্তেকিয়া, 'ধনেশ'

তোত'ল্, 'টেঁটু'

তোতোলা, 'পাকস্থলী'

থ'তো নাচ্, 'খোক্চি পূজাৰ শেষৰ দিনা নাচ'

থ'দ্রা প'ৰ্, 'ঠেটুৰৈ লাগ'

থ'ৰ্ নাই, 'মাৰ্জিত নহোৱা (পৰিধানৰ ক্ষেত্ৰত), স্থিৰতা নহোৱা'

থ'ৰ্কা, 'টুনি মাৰি সুমুৱাই থ'ব পৰা বাঁহৰ চুঙা'

থ'ল্ প'হ'ৰু, 'পূজাৰ সাজ-বাচন পৰিষ্কাৰ কৰি ৰখা সমাজৰ এক শ্ৰেণীৰ লোক'

থাউনা, 'মদ সাঁচি থোৱা এবিধ পাত্ৰ (বিতৰণৰ বাবে)'

থাকাবুকি, 'পুণী'

থানি, 'গছৰ ঠাল ঠেঙুলি'

থাৰ্ছেং, 'নাইপিয়া'

থুকা, 'কেচুৱাক টোপনি নিওৱা'

থুন্থুনি, 'এবিধ পাচলি'

থুৰ্থুৰা/ থুৰথুৰিয়া, 'ধাৰাল'

থেকেনা, 'হেঁচুক'

থেপেলা কাৰি ব, 'লেপেটা কৰি বহ'

থেবেল্বেল্/ থেবেল্লেক্, 'থমথমকৈ'

থোন্তালি, 'গাহৰিৰ থুতুৰি'

থোথ'ল্, 'টেঁটু'
দ'দো, 'গভীৰ (নিদ্ৰা)'
দ'মাচকি চ'ৰে, 'ঘৰ চিৰিকা'
দ'মাচকি ফুল্, 'এবিধ ফুলৰ চানেকি'
দ'ৰ পাদুৰা, 'ভয়াতুৰ পুৰুষ'
দ'ৰ পাদুৰী, 'ভয়াতুৰ মহিলা'
দাং ঘ'ৰ্, 'বৰ ঘৰ'
দাং বাৰি, 'পৰঙি জাল তোলা মাৰি'
দান্দিলিকা, 'মেদেলুৰা'
দাপেনা/দাপনা/দাপানা, 'বাহু'
দাফা/দাফিয়া/দাম্‌ফিয়া, 'ফৰ্মুটিয়া'
দাম্ দাম্, 'বহুত'
দাৰ্‌বেং, 'এবিধ জিলী'
দিঘ'ল পেতি, 'বহুৰঙী নাচত ব্যৱহৃত ঢোল'
দিল'ং/দিল্ পখি, 'দহিকতৰা'
দুত্‌ক'ৰি/দুদ্ খুৰি, 'এবিধ সুকাঠী গছ'
দুতিয়া, 'ঘটক, বিয়াৰ মধ্যস্থতাকাৰী'
দুলি জাল্, 'এবিধ ডাঙৰ জাল'
দুম'ল, 'খুঁটি, দুপৰীয়া গৰখীয়াই গৰু বন্ধা ঠাই'
দেওনা, 'এবিধ সুগন্ধি ফুল'
দেও জ'কা, 'কাৰবাৰ গাত দেৱ-দেৱীয়ে লম্ভা'
দেও ধেনুক, 'ৰামধেনু'
দেওৰা, 'মেঘ'
দেওৰা, 'পাৰ হৈ যোৱা'
দেনা, 'দেউকা'

দেব'ৰ্ লাগ্/খা, 'ৰচি পাক লাগ'

ধ'ক ধ'ক/ধ'ক ধ'কা, 'উকা, সুদা'

ধ'ংকা/ধ'কা বিতি, 'সতীয়া জী'

ধ'না/ধানা, 'কণ নথকা'

ধ'ধানী ফ'ল, 'ফেন ওলোৱা এবিধ ফল' (ইয়াৰে কাপোৰ কানি ধোৱা হয়)

ধ'লা/ ধোন্দ'লা/ ধেলা শামুক/ ছামুক, 'ডাঙৰ শামুক'

ধাকুৰা, 'মাটিত আঁচোৰ, চপৰিওৱা'

ধাঙ'ৰ্, 'হৰিজন, বিহাৰী, মুচি আদি লোক'

ধাং গোলা, 'পানী যোৱা খাল'

ধাপ্লাং, 'ঢোল-খোল বজাব নজনা লোক'

ধাৰিয়া (খোপা), 'উধনীয়া (খোপা)'

ধাৰিয়া চ'কা, 'এবিধ সৰু চৰাই'

ধাপি ধুপি গাছ্, 'পাণ্ডুৰোগ হ'লে পিন্ধাই দিয়া গছ আৰু ইয়াৰ শিপা'

ধিপ্লা দি, 'সোপা দি'

ধুকাল/ লাগাল পা, 'ঢুকি পা, লাগ পা'

ধুন্দুলী, 'লুধুমী'

ধুপুৰীয়া, 'নিজকে জাহিৰ কৰা পুৰুষ'

ধুপুৰীয়ানী, 'নিজকে জাহিৰ কৰা মহিলা'

ধুম্ৰী কুজী, 'শকত আবত আৰু কুঁজী তিৰোতা'

ধুমা পিঠা, 'ডাঙৰ আকৃতিৰ ভাপত সিজোৱা পিঠা'

ধেক'ন্, 'ঢোকা'

ধেং ধেঙা, 'মাছ পুৰিবলৈ ব্যৱহাৰ কৰা টিনপাতৰ টুকুৰা'

ধেন্, 'গৰ্ভধাৰণ'

ধেম্না ভাতাৰ্, 'উপপতি, বিয়া নকৰাকৈ বৰণ কৰা পুৰুষ'

ধেম্‌নি/ ধেমিনী, 'ৰক্ষিতা অথবা দ্বিতীয় পত্নী'

ধেৰ্‌কা/ হেৰ্‌কা পুথি, 'চেনী পুঠি'

ধেল্‌কা, 'জলীয়া ধৰণৰ'

ধেমেৰা, 'মাজ ডাঙৰ'

ধেম্‌ছা/ ধেমাছা, 'সিক্ত'

ধোন্দ'লা, 'লোধোমা'

ধোবানী চ'কা, 'ডাউক'

ন'ক'ৰ ছেপ, 'গোপতে, সংগোপনে'

ন'ৰ'ঙা, 'আহু তলী'

নাওৰা/ নাওদিঙা ব'ৰ'ন, 'ডিঙাৰ দৰে বাহ্‌ লোৱা এবিধ বৰল'

নাক্ চিৰা ভাং, 'নাকেৰে তেজ ওলোৱা ৰোগ'

নাক্‌ৰেং মুক্‌ৰেং, 'লেতেৰা মুখ'

নাক্ চিল্‌কা, 'চাতক'

নাগেৰ্ পেতা, 'এবিধ শৰালি'

নাংকালা/ নাংলা/ লাংনা, 'নঙলা'

নাপ্রাপাৰা, 'তন্দ্রাছন্ন'

নাৰ'দ'ৰ্ ভাৰ্, 'বিয়াৰ গৰখীয়াৰ ভাৰ'

নাৰ্ পানীয়া, 'দুৰ্বল'

নাৰি, 'নাভি, সিৰ'

নালা উঘালা, 'তল পেটত নাড়ীৰ ওচৰত বিষ হোৱা ৰোগ'

নিউচিনি মাহাৰি, 'প্ৰথম বাৰ মাতৃত্ব লাভ কৰা মহিলা'

নিচ'নি, 'নিদৰ্শন'

নিফুৰ, 'নৈৱেদ্য'

নিল্‌হালি/ নিৰ্‌হালি, 'ডৰিকণা'

নিহাৰ্/ বুনি ভাঙা, 'যি জন চিকাৰীয়ে জালত পৰা জন্তুক প্ৰথমে হানে তেওঁক চিকাৰটোৰ বুকুৰ মাংস পিণ্ড দিয়া প্ৰথা'

নুফুল্, 'অমিতা'

নেওচ'ন্, 'গৰিহণা'

নেওচা/ নেওচ'নি দিয়া, 'কোনো বস্তু বা খেৰ কুটা মূৰৰ ওপৰেদি সাত বাৰ ঘূৰাই কোনো দেৱতাৰ নামত বিসৰ্জন দিয়া প্ৰথা'

নেৰাৰা, 'গা ধূৰা ঠাই'

প'কা ৰুদ্, 'দিন দুপৰ'

প'ঘে/ প'ঘাই, 'উঘা'

প'স্ত'ক্, 'সময়'

পাকা, 'গোঁঠ'

পাকা মত্, 'ফটিকা মদ'

পাকা ৰ'ছ্, 'অতি আড়ম্বৰ পূৰ্ণ ভোজ'

পাক্ৰি, 'বট গছ'

পাখ্ৰি মাৰা চুৰাৰ্, 'এবিধ ডাঙৰ প্ৰজাতিৰ বন গাহৰি'

পাছা, 'কাণ ফুলি'

পাতানি/ পাতিনি, 'মৈঠনি'

পাতি সামুক্/ ছামুক্, 'এবিধ সৰু প্ৰজাতিৰ শামুক'

পাট্গিৰি, 'সমাজৰ উচ্চ শ্ৰেণীৰ লোক'

পাদুৰি প'কা, 'এবিধ বিষাক্ত পোক'

পাথিলি/ পাৰি পাত, 'আগলতি কলপাত'

পান্চিনি/ পান্চিনীয়া, 'বিয়াৰ আগদিনা পানী বা সুৰাগুৰি তোলা প্ৰথা'

পানীয়াৰী/ পানীয়াল্/ পানী হাৰি, 'শ্ৰাদ্ধ বা বিয়াৰ ভোজৰ কাম কৰিবলৈ নিযুক্ত গাভৰু'

পানীয়াৰী বিদাকি, 'ভোজৰ অন্তত এজোঙা মদেৰে পানীয়াৰীক মাননি দিয়া প্ৰথা'

পানি আথা, 'এবিধ ৰঘুমলা'

পানি দাউৰা, 'মদ বা আঞ্জাতপানী বেছি হোৱা'

পানি দোব্ দোব্লি ফ্ৰিং, 'এবিধ ফৰিং'

পাৰ্কানা, 'গঁড়খাৰৈ, পাৰ'

পাৰা মাৰ্, 'পদুলি শুঙ্'

পাৰেয়া, 'ৰাজহুৱা অনুষ্ঠানৰ বাবে বৰঙণি আদি তোলা গাঁওৰ লোক'

পায়জুক, 'ডিঙিত পিন্ধা অলংকাৰ'

পিথ'ল্, 'কলিজা'

পিথ'ল্ ডাঙাৰা, 'নিৰ্দয়, সাহসী'

পিথ'ল্ ডাঙিৰী,'নিৰ্দয়, সাহসী (স্ত্ৰী)'

পিলিঙ'ত-পালাঙ'ত, 'পুলুং-পালাং'

পুছ্কুন্দি, 'হ্ৰদ'

পুৰা ধুং ধুং, 'গা-পা নোধোৱাকৈ থকা'

পেখোলি/ পোখোলি, 'খুবলি'

পেং পেং, 'দ্ৰুত গতিত (যোৰা)'

পেচ্ ৰেঙা, 'লেতেৰা'

পেত্ গাগাৰা/ গাগালা, 'টেকেলি পেটা'

পেত্ খুখ্লি, 'কামি হাড় আৰু ককালৰ মাজৰ হাড় নথকা অংশ'

পেতা, 'মাছৰ ভুৰু'

পোহ'ৰ, 'দিন'

ফ'চেচেক্/ ফ'চ'চ'ক, 'সোৱাদহীন'

ফ'ল'ঙা, 'শিথিল'

ফাক্ৰেং, 'গাহৰি আদিৰ হনুৰ ভিতৰত থকা মজ্জা'

ফাংচানা, 'অৰ্থহীন'

ফাচ'ন কাতা, 'এছাৰি আগত লগোৱা লোৰ শলা'

ফাতাং ছালীয়া, 'ধুনপেচ মাৰি ফুৰা'

ফাৰাক্, 'বেলেগ, পৃথক'

ফাৰাল্ বাদ্, 'অন্য জাতিৰ সৈতে সম্পৰ্কজনিত প্ৰায়শ্চিত্ত বিধান'

ফাহি, 'ফিচিকি যোৱা'

ফিৰিঙি ঝালুক্/ ফিলিঙি ঝাউল্‌কা, 'কণ জলকীয়া'

ফুনি কাত্‌ৰা, 'বাঢ়ৈ টকা'

ফৈলাং, 'পোহৰ'

ফোফোফো, 'শূণ্য, একো নাই'

ব'ক'ন/ ব'ক'নীয়া, 'পিয়াহ এৰা কাঢ়লী'

ব'খ্ৰা/ ব'ংখ্ৰা, 'ভগাই দি'

ব'গেজাৰী, 'দক্ষিণ কামৰূপ অঞ্চলত প্ৰচলিত এবিধ গীত আৰু নাচ'

ব'তু, 'ওজাপালিয়ে কঁকালত বান্ধি লোৱা ফুলাম মালা'

ব'ৰ্মা জাল্, 'এবিধ জাল'

ব'হ'নি, 'মাৰে গানৰ ওজাপালিয়ে আৰম্ভণিতে বহি গোৱা প্ৰাৰ্থনা গীত'

ব'য়্ৰাতী, 'মাংগলিক কাম কৰা তিৰোতা, দেওধনীৰ পৰিচালিকা'

বাইজ'ন নেপুৰ্, 'বাহুত পিন্ধা অলংকাৰ'

বাক্‌ব'ৰ্ আথা, 'এবিধ গছ আৰু তাৰ আঠাযুক্ত ফল'

বাক্‌চ'কা , 'কাপোৰ নোহোৱাকৈ লোৱা বোকচাত'

বাক্‌ছুক মালা, 'এবিধ মনিৰে প্ৰস্তুত কৰা মালা'

বাগা-বাগি, 'এবিধ দেওশালত দিব পৰা ফুলৰ চানেকি'

বাগুলা, 'ঠানি, ডাল'

বাং দিয়া, 'গৰখীয়া ল'ৰাই পৰস্পৰে পৰস্পৰক জোকোৱা-জুকি কৰি গোৱা গীত'

বাছ্ পখি, 'শেন চৰাই'

বাছিয়া/ বাহিয়া খাৰ'ন্, 'বিয়া আদিৰ পিছ দিনা দিয়া ভোজ'

বাজা ক'ল, 'বৰতমনি কল'

বাতা, 'ফুটা আদি বন্ধ কৰ'

বাতা ব'ন, 'বৰতা'

বাতিক্‌তিকা, 'বতা চৰাই'

বাদ্, 'সামাজিক অপৰাধৰ প্ৰায়শ্চিত্ত বিধান'

বাম্বোল পিতা, 'টোটোলা ৰাভাসকলৰ মাজত প্ৰচলিত নৃত্য গীতৰ অনুষ্ঠান'

বাৰ' ব'ইতালি, 'বাৰে পৈয়াতী'

বাৰ' ভাতাৰী, 'বাৰে পৈয়াতী'

বাৰ' ওৱাৰী, 'ৰাজহুৱা'

বাৰ' মাহাৰি, 'বাৰায় আৰু হুৰি লগ লাগি হোৱা মাতৃ বংশ'

বাৰা পোকা, 'বালি চাহি'

বাৰুৱা, 'কইনাৰ গা-ধন হিচাপে নিয়া মদ মাংসৰ ভাৰবাহী পুৰুষ'

বাৰুৱানী, 'বাৰুৱাৰ সহায়িকা নাৰী'

বিচিম্ খা, 'ডিঙিত চৰ্চৰণি খা'

বিজি কালাই, 'এবিধ মদ প্ৰস্তুত কৰা দৰৱত লগোৱা তৃণ'

বিথুৱা/ বুথুৱা শাক, 'জিল্‌মিল্ শাক'

বিলা, 'বহলাই দে'

বিয়া, 'পোৱালী জগ্'

বুকুলা, 'ভুৰু'

বুকালি/ বোকালি, 'কেচুৰা বোকচাত লৈ ডাঙৰ-দীঘল কৰিবৰ বাবে নিযুক্ত ছোৱালী'

বুন কাপালি, 'এবিধ বন'

বুৰি ফ'ৰেং, 'ৰাতি ঘৰলৈ অহা এবিধ ফৰিং'

বুৰুং পাত্, 'এবিধ ঔষধী গছৰ পাত'

বেঙা গাত্‌ৰা, 'ধুম কলা'

বেদেলা, 'বহল'

বেবেলেক্-বুবুলেক্, ‘অকামিলা, অঁকৰামি’

বোৱানি কাতি মাছ্, ‘এবিধ মাছ’

ভ’ত’ক্ত’ক/ ভ’ত’ত’ক্, ‘একেথৰে বহি থকা’

ভ’ত’ঙা/ ভ’ত’ঙা-ম’ত’ঙা/ হ’ত’ঙা, নোদকা’ ‘নোদোকা’

ভ’ম’ৰা ফুল্, ‘এবিধ পৰম্পৰাগত ফুলৰ চানেকি’

ভ’ৰ্ খাওন, ‘বিয়াৰ প্ৰথম দিনৰ খাওন’

ভ’ল্ত’ক্ ত’ক্, ‘অকামিলা সোপা ঢিলা’

ভ’য়্ৰা/ ভৈয়াম প’কা, ‘সেউজীয়া ভোমোৰা’

ভাজিনী, ‘শিপিনী’

ভাত্ কেছাৰি, ‘এবিধ শেঁতা বৰণীয়া সৰু কেঁচু’

ভাতাৰ, ‘গিৰিয়েক’

ভাবেং, ‘সেউজীয়া বৰণৰ জিলী

ভাৰ্তি বাৰি, ‘হোলোঙা’

ভাৰী গান্, ‘এবিধ লোক নাট্যানুষ্ঠান’

ভালুক নাচ্, ‘এবিধ নাচ’

ভিংলি দি/ ভিঙিলি দি, ‘ধেল ওপঙা দি’

ভিৰ্না/ ভিন্না, ‘বছৰেকীয়া বন্দবস্তত গৃহস্থৰ ঘৰত কাম কৰা বনুৱা’

ভিহুৰা/ ভেলকাৰ, ‘অকামিলা, অযোগ্য’

ভুচুচুং-ভাচাচাং, ‘বাৰে ভচহু’

ভুচুৰা, ‘শকত আবত’

ভুতুতুক্, ‘আগ খঁৰা, চুটি চাপৰ’

ভুতুনি চেপা, ‘গোট বাঁহৰ পৰা তৈয়াৰ কৰা এবিধ চেপা’

ভুতুনি তাৰা, ‘পপিয়া তৰা’

ভুদুলুকি, ‘এবিধ মাছ’

ভুম্, ‘কাঠ খুলা এবিধ অস্ত্ৰ’

ভুৰ্কাই দুখা, ‘বুৰবুৰণি কাঢ়ি ওলোৱা’

ভুল্‌তুক্/ ভুল্‌তুক্ মুৰীয়া, ‘অকামিলা, অযোগ্য’

ম’ক’ৰা/ মেখ্‌লা ভুৰা, ‘মগ্ৰো নে মাইকী চিনিব নোৱাৰা গাহৰি’

ম’ক’ৰ্দমা ফুল্, ‘এবিধ পৰম্পৰাগত ফুলৰ চানেকি’

ম’ংকেনা, ‘ওপৰে ওপৰে শুকাই যোৱা’

ম’ৰা লাৰা/ মাতা, ‘মৃতকৰ আত্মাই লম্ভি মদ আদি নষ্ট কৰা কাৰ্য বা সৰু সৰু ল’ৰা-ছোৱালীৰ পেট কামুৰিণীৰ সৃষ্টি হোৱা উপসৰ্গ’

ম’ৰেঙা, ‘নিশকটীয়া, দুৰ্বল’

ম’য্‌ৰা ফুল্, ‘এবিধ পৰম্পৰাগত ফুলৰ চানেকি’

মাখি ফুল্, ‘এবিধ পৰম্পৰাগত ফুলৰ চানেকি’

মাজুং হাৰা/মাজু হাৰা, ‘ৰাজ হাড়’

মাৰ্কি, ‘মহামাৰি, কলেৰা’

মাল্‌চ’ৰা, ‘এবিধ শালিধান’

মাল’ন্‌চা, ‘বিয়াৰ চূড়ান্ত বন্দবস্ত হিচাপে কইনাৰ মূৰ ফণিওৱা পৰ্ব’

মাৱায়, ‘আমৈ’

মিচিক্‌মাৰী, ‘ৰাংঢালী, ৰঙিয়াল তিৰোতা’

মুক্ আন্দাৰি, ‘মুনিচুনি বেলিকা’

মুখেকাটী, ‘মুখ চোকা তিৰোতা’

মুতুৰি, ‘মূত্ৰাশয়’

মুন্‌হিয়া, ‘পুৰুষ’

মুৰুং মুছ’ং, ‘আমন জিমনকৈ’

মুৰিয়া (লান), ‘পুৰণি আৰু অব্যৱহৃত (নাদ)’

মেন্ধেলা, ‘লোদোৰ-পোদোৰ’

ৰ’য়্‌না/ ৰায়্‌না, ‘কোৰোনা’

ৰাঙি ক'ল, 'মালভোগ কল'

ৰাম্‌ক'ং প'খি, 'জটায়ু জাতীয় পখি'

ৰাম্ ক'ল, 'এবিধ ডাঙৰ প্ৰজাতিৰ কল'

ৰাম্ ছাৰুক্, 'ৰাই শালিকা'

ৰাৱন্ বুকুলা, 'আকাশী লতা'

ৰায়াল্ সাপ, 'এবিধ বিষাক্ত সাপ'

ৰিছি/ ৰিছিং ক'ল, 'বনৰীয়া কল'

ৰিন্‌তুৰা, 'নিস্তেজ'

লাকুৰি, 'তিনিটা বিন্ধা থকা মাটিৰে তৈয়াৰী বাদ্য'

লাংকুৰা, 'চুটি চাপৰ'

লাথাপ থাপ/লুথুপ থুপ, 'থপ থপীয়া, এঠালতীয়া'

লান্দো বামি, 'এবিধ বামত চৰা বামি জাতীয় মাছ'

লাপ্‌ছেং, 'একে জাপে'

লুকুম্, 'শকত'

লুঘান্ ধান্, 'লাহি ধান'

লেংজাৰ্ বান্, 'নদী ভেটি পানী শুকাবলৈ দি মাছ ধৰা ব্যৱস্থা'

লেঙ্‌ৰা সামুক্/শামুক্, 'নেগুৰীয়া শামুক'

লেন্‌লেন্/ লেৰ্‌লেৰ্, 'লেলিহান' (জিভা)

লেৰ্‌ফেৰ্, 'এঠাযুক্ত'

লেৰ্‌লেৰ্, 'লেৰেলা'

লোথোথোক, 'টোকোলা, লঠঙা'

স'ৰ্, 'বিন্ধা, ফুটা'

স'ৰ্কা গাঁঠি/ স'ৰ্‌তা গাঁঠি/ স'স্তা গাঁঠি, 'সহজে খুলিব পৰা এবিধ গাঁঠি'

স'ল্‌স'লা/ সোলোঙা, 'পোন, ঠাল-ঠেঙুলি নথকা'

স'হালি/ ছ'হালি/ ছুহুৰি, 'মিথ্যাবাদী, টুটুকীয়া, অতিৰঞ্জিত কৰা লোক'

সাত ভাই তাৰা, 'সপ্তৰ্ষি মণ্ডল'

সাৰা, 'মেল মাতি ফুৰা আৰু পূজা আদিৰ বাবে দান-বৰঙণি তোলা সমাজৰ এক শ্ৰেণীৰ লোক'

সাৰাং সিচ'ৰ, 'সকলোতে, চাৰিওফালে'

সিদ'ল/ সিন্দ'ল, 'শুকান মাছ খুন্দিয়াই চুঙাত সাঁচি ৰখা এবিধ সুস্বাদু খাদ্য'

সিংৰা ফুল্, 'এবিধ পৰম্পৰাগত ফুলৰ চানেকি'

সিতিৰা, 'মাটি চুঁচৰি যোৱা'

সিমা, 'সিক্ত, সেমেকি যোৱা'

সুলুং, 'সুৰঙ্গ'

হাত্ বেধা, 'জবকা'

হানাঘোঁৰা, 'এক দেৱতা, এক ধৰণৰ গীত নাচৰ অনুষ্ঠান'

হাৰ্গিলা, 'বৰটোকোলা'

হাৰি ভাঙা, 'মাইকী মানুহৰ ৰক্তপাত হোৱা ৰোগ'

হাৱাল্ খেদা, 'ভূত-প্ৰেত, অপদেৱতা আদিক হাৱাল অৰ্থাৎ কলপটুৱাৰ নাওঁত তুলি দি খেদি পঠোৱা পৰ্ব'

হোংক্ৰা বাগ্, 'নাহৰফুটুকী বাঘ'

## ৭.৫০ বিদেশী শব্দ ঃ

ৰাভাসকলৰ কথিত অসমীয়া ভাষাত ইংৰাজী, আৰবী, ফাৰ্চী আদি বিদেশী ভাষাৰ কিছুমান শব্দ পোৱা যায়। সম্ভৱত এই শব্দবোৰ মান্য অসমীয়া ভাষাৰ যোগেদি ৰাভামিজত প্ৰৱেশ কৰিছে। অৱশ্যে এই শব্দবোৰৰ উচ্চাৰণ কৰোঁতে ৰাভাসকলে তেওঁলোকৰ নিজস্ব উচ্চাৰণ ৰীতি প্ৰয়োগ কৰা দেখা যায়। তেনেকুৱা ধৰণৰ শব্দ কিছুমান তলত উল্লেখ কৰা হ'ল।

## ৭.৫১ ইংৰাজী শব্দ ঃ

অ'ফিচ্ (office)
অ'ৰ্দাৰ্ (order)
আইতেম্ (Item)
আউত্ (Out)
ইনিচ্‌পেক্‌টৰ্ (inspector)
ইঞ্জিন্ (engine)
ইস্কুল্ (School)
ইষ্টাট্ (Start)
ইষ্টাম্ (stamp)
ইষ্টৈল্ (Style)
ইলেক্‌চ'ন্ (election)
ইলেক্‌টাৰী (Electric)
এমেলে (M.L.A.)
এক্‌চিডেন্ (accident)
এল্‌বাম্ (Album)
কম্পাউণ্ডাৰ্ (compounder)
ক'ভাৰ্ (Cover)
ক'লেজ্ (College)

কুমিটি (Committee)

কাৰেন্ (Current)

কেম্ (Camp)

কোট্ (Coat)

গেট্ (Gate)

গিলাচ্ (Glass)

চাইক'ল্ (Bycicle)

চাইন্‌ব'ৰ্ড (Signboard)

চিয়াৰ্ (Chair)

চুইচ্ (Switch)

চুৱেটাৰ্ (Sweater)

তিং (Tin)

তিকেত্ (Ticket)

তেবিল্ (Table)

তিভি (T V)

ত'ৰ্চ্ (Torch Light)

দাক্তৰ্ (Doctor)

নাৰ্চ্ (Nurse)

পাছ্ (Pass)

পিন্সিল্ (Pencil)

পুলিচ্ (Police)

পেন্সন্ (Pension)

পেন্ (Pen)

পেন্ (pant)

পিটুগুলি (P.W.D.)

পিলেট্ (plate)

পিৰ'দ্ (period)

ফ'টো (Photo)

ফেন্ (Fan)

ফেল্ (Fail)

ব'ত'ল্ (Bottle)

বাকুচ্ (Box)

বাছ্ (bus)

বাল্ব্ (bulb)

ব্লাউচ্ (blouse)

বিৰিংচি (Bench)

ভিটামিন্ (vitamin)

মাষ্ট'ৰ্ (master)

ৰিজাপ্ (reserve)

ৰিদু (Radio)

ৰেল্ (Rail)

ল'ংপেন্ (longpant)

লাইট্ (Light)

লেম্ (lamp)

হাস্পাটাল্ (hospital)

৭.৫২ আৰবী শব্দ[১৯] ঃ

অ'ছিলা, 'হেতু, কাৰণ' (ৰাছিলা)

অ'জুহাত্, 'চেলু' (ৰজুহাত)

আইন্, 'বিধি'

আইনা, 'দাপোন'

আজাৰ্, 'অসুখ'

আদ'ব্-কায়দা, 'শিষ্টাচাৰৰ ৰীতি'

আদালত্, 'ন্যায়ালয়'

আফিং, 'কানি'

আবিৰ্, 'ফাকু গুৰি'

আমান'ত্, 'গচ্ছিত, বিশ্বাসত কোনোবস্তু কাৰোবাক থ'বলৈ দিয়া'

আছ্বাব্, 'সামগ্ৰী, বস্তু-বাহানি, মালপত্ৰ, সৰঞ্জাম আদি'

আলাদা, 'বেলেগ'

আচ'ল্, 'মুল, সত্য, প্ৰকৃত, যথাৰ্থ'

আমোলা, 'কৰ্মচাৰী'

ইছাৰা, 'ইঙ্গিত'

ইজ্জ'ত্, 'সন্মান, মৰ্যাদা'

উকিল্, 'অধিবক্তা',(ৰকীল)

এক্তিয়াৰ্, 'অধিকাৰী, স্বত্ব, কৰ্তৃত্ব'

এজাহাৰ্, 'জাননী, ঘোষণা, বিজ্ঞাপন'

ওজ'ৰ্, 'আপত্তি, মতানৈক্য'

ওৱাৰিছ্, 'অধিকাৰী' (ৱাৰিছ)

ওস্তাদ্, 'শিক্ষক, গুৰু'

ওস্তাদী, 'মুৰব্বীয়ানা, কৰ্তৃত্ব খটুওৱা অধিকাৰী, গুৰুগিৰি'

---

১৯. উৎসঃ মালিক, চৈয়দ আব্দুল, অসমীয়া ভাষাত মধ্য প্ৰাচ্য আৰু উত্তৰ ভাৰতৰ শব্দ সম্ভাৰ, ১৯৯৮

ক'চ'ম্, 'শপত, প্ৰতিজ্ঞা'

ক'ব্জা, 'শলখা'

কাজিয়া, 'বিবাদ, খৰিয়াল'

কানুন্, 'আইন'

কানুনী, 'আইন সম্পৰ্কীয়, নাতি ভিত্তিক'

কায়দা 'কৌশল'

ক্ৰিমী, 'পেলু'

বিল্কুল্, 'সৰ্বোতভাৱে'

খ'ত'ম্, 'শেষ'

খাৰিজ্, 'বহিষ্কাৰ'

খালাচ্, 'মুকলি কৰা'

খোল'চা, 'মুকলি, পৰিষ্কাৰ, খোলাখুলি'

গাইব্, 'অদৃশ হোৱা'

চ'ছ্মা, 'চশমা'

চ'হী, 'হাতৰ আখৰ'

স'দাগৰ্, 'ব্যৱসায়ী (চওদাগৰ)

চালাম্, 'অভিবাদন, সম্ভাষণ, শুভকামনা'

চাফা, 'পৰিষ্কাৰ'

চাফাই, 'পৰিষ্কাৰ কৰা কাৰ্য'

চাহেব্, 'গৰাকী'

চ'বি, 'চিত্ৰ'

চ'ৰ্ব'ত্, 'পানীয়, পি খোৱা দ্ৰব্য'

চ'হ'ৰ্, 'নগৰ'

চামিল্, 'মিল কৰা'

চুৰু, 'আৰম্ভণী'

চৈতান্, 'টেঙৰ'

চ'ন্দুক্, 'বাকচ্'

চ'ন্, 'বছৰ'

জ'ৰিমনা, 'শাস্তিমূলক অৰ্থদণ্ড' (জুৰম্না'

জুলুম্, 'উপদ্ৰৱ'

তামাম্, 'সম্পূৰ্ণ, বহুত'

তাক'ত্, 'শক্তি'

তাগিদা, 'দাবী কৰা, বিচৰা'

তামিল্ 'শিক্ষা'

তাৰিখ্, 'দিনাংক'

দ'ফা, 'ধাৰা'

দ'লিল্, 'কোনো বিষয়ক পত্ৰ'

ন'ক'ল্, 'অনুকৰণ, কৃত্ৰিম'

ন'ক্সা, 'ছবি, চিত্ৰ, আৰ্হি'

ন'গ'দ্, 'হাতে হাতে ধন দিয়া'

ন'জ'ৰ্, 'দৃষ্টি'

ন'জিৰ্, 'উদাহৰণ, দৃষ্টান্ত'

ফ'চ'ল্, 'শস্য'

ফ'য়দা, 'লাভ, উপকাৰ'

বাকী, 'অনাদায়'

বাতিল্, 'অগ্ৰাহ্য কৰা'

বাদ্, 'পৰিত্যাগ কৰা'

বাদকাৰী, 'অৱশিষ্ট অংশ'

বাহাল্, 'স্থিৰ থকা'

বিদায়, 'মেলানী মগা'

বিল্‌কুল্‌, 'সম্পূৰ্ণ, সৰ্বাত্মক'

ম'ক'ৰ'ল্‌, 'নিয়োগ কৰা' (মাকৰল)

ম'ক্কেল্‌, 'উকিল নিয়োগ কৰোতা' (মোৱাক্কিল)

ম'ক'র্দ'মা, 'গোচৰ' (মোকদ্দমা)

মুস্কিল্‌, 'বিপদ, অসুবিধা' (মুছকিল)

ম'চ'লা, 'মছলা' (মচলা)

ম'জা, 'ৰহস্য, আমোদ, ঠাট্টা'

ম'জ্‌দুৰ্‌, 'শ্ৰমিক'

ম'জ্‌দুৰী, 'খাটনি, কাম কৰা'

ম'জ্‌বুত্‌, 'বল, শক্তি'

ম'জুত্‌, 'জমা থকা'

ম'জুৰি, 'পাৰিশ্ৰমিক'

ম'র্জি, 'ইচ্ছা'

ম'ঞ্জুৰ্‌, 'গ্ৰহণ কৰা, সন্মত হোৱা, অনুমতি দিয়া'

ম'ত্‌ল'ব্‌, 'উদ্দেশ্য, অভিপ্ৰায়'

ম'হ'ল্‌, 'ঘৰ'

ম'হ'ল্‌দাৰ্‌, 'মুখ্য লোক'

মাম্‌লা, 'গোচৰ'

মামুলি, 'সাধাৰণ, সামান্য'

মাত'ব্ব'ৰ, 'নেতা'

মাদা, 'সাৰ বস্তু' (মাদা)

মানা, 'নকৰিবলৈ কোৱা'

মাপ্‌, 'মাফ কৰ, ক্ষমা কৰ' (ম'আফ)

মাল্‌, 'বস্তু'

মালিক্‌, 'গৰাকী'

মালুম্, 'জনা, অৱগত হোৱা'
মেজাজ্, 'মানসিক অৱস্থা'
মিয়াদ্, 'ম্যাদ, নিৰ্দ্ধাৰিত সময়'
ম'ক'ৰ'ল, 'নিযুক্তি'
মুজ্ৰিম্, 'অপৰাধী'
মুনাফা, 'লাভ'
মাফ'ত্, 'বিনাকষ্টে'
মুৰ'ব্বী, 'অভিভাৱক'
মুলাকাত্, 'দেখা কৰা'
মেৰামত্, 'বেয়া বস্তু ভাল কৰা'
ৰ'ক'ম্, 'বিবিধ'
ৰায়, 'অভিমত, নিৰ্দেশ'
ৰাজি, 'সন্মত'
ৰেহাই, 'নিষ্কৃতি, মুক্তি'
হ'জ'ম্, 'জীন যোৱা'
হ'দ্, 'সীমা'
হাউচ্, 'হেঁপাহ'
হাজিৰ্, 'উপস্থিত'
হাৰাম্, 'অপৱিত্ৰ, নিষিদ্ধ'
হাৰামী, 'অবৈধ, জাৰজ'
হাল্কা, 'দুৰ্বল'
হিচাপ্, 'হিচাপ, লেখ'
হিম্ম'ত্, 'সাহস, মনোবল'
হুকুম্, 'আদেশ, নিৰ্দেশ'
হুচ্, 'চেতনা'
হুজুৰ্, 'মহাশয়'

৭.৫৩ ফাৰ্চী শব্দ[২০]ঃ

অ'দ'ল্-ব'দ'ল্, 'সলনা-সলনি'

অ'ন্দ'ৰ্ ম'হ'ল্, 'ভিতৰৰ কোঠা'

আদায়, 'গোটোৱা, তোলা, সম্পূৰ্ণ কৰা'

আপোছ্, 'মিত-মাত কৰা'

আপ্‌চোছ্, 'আক্ষেপ, খেদ, অনুতাপ'

আৰাদানী, 'ওৱাদানি, উভয় নদী'

আবুৰ্, 'আবু'

আম্‌দানি, 'বাহিৰৰ পৰা অনা'

আমেজ্, 'নিচিন্ত অৱকাশ, আৰামৰ বিশ্ৰাম'

আৰাম, 'সুখ-শান্তি'

আল'গ্, 'পৃথক'

আছামী, 'দোষী, জগৰীয়া'

উৰ্মাল্, 'ৰুমাল'

ওস্তাদ্, 'গুৰু'

ক'চ'ৰৎ, 'ব্যায়াম'

ক'চাই, 'পশু হত্যাকাৰী'

ক'চাই খানা, 'মাংসৰ দোকান'

ক'ম্, 'তাকৰ'

ক'ম্ জোৰ্, 'শক্তিহীন, নিশকটীয়া'

ক'ম'ৰ্, 'কঁকাল'

ক'ৰ্পূৰ্/ ক'ৰ্ফুল্, 'সুগন্ধি দ্ৰব্য'

ক'য়দী, 'বন্দী'

কাগ'জ্, 'কাকত'

২০. উৎসঃ মালিক, চৈয়দ আব্দুল, উক্ত গ্ৰন্থ

কাছাৰী, 'ন্যায়ালয়, বিচাৰালয়'

কানুন্‌গো, 'আইনজ্ঞ, আইনৰ ব্যাখ্যাকাৰী'

কুন্দা, 'কাঠৰ টুকুৰা'

কোৰোক্, 'ক্রোক, সম্পত্তি জব্দ কৰা'

খ'টোৰা, 'নাৰিকলৰ টোকোৰা'

খ'তিয়ান্, 'হিচাপ'

খ'ৰ্চা, 'খৰচ'

খ'ৰ'চী, 'ধোঁৱাখুলীয়া'

খ'ব'ৰ্, 'বাতৰি, সংবাদ'

খ'ব'ৰ্দাৰ্, 'সাৱধান'

খ'ব'ৰ্দাৰী, 'সচেতনতা, সতর্কতা'

খাকী, 'মাটি বৰণীয়া, মটিয়া'

খাছ্, 'বিশেষ, প্রধান'

খাতিৰ্, 'সন্মান, আদৰ-সাদৰ'

খানাতালাছ্, 'অনুসন্ধান কৰা'

খাম্, 'লেফাফা'

খাম্-খিয়ালি, 'বিভ্রান্ত, দোধোৰ-মোধোৰ, অসংগঠিত চিন্তা'

খালি, 'শূণ্য, একো নথকা'

খাৰাপ্, 'বেয়া'

খাহী, 'খাহী কৰা জন্তু'

খুছী, 'আনন্দ'

খুনী, 'হত্যাকাৰী'

খুব্, 'প্রচুৰ, বেছি'

খেয়াল্, 'ধাৰণা, কল্পনা, চেতনা'

খোৰাক্, 'আহাৰ, খাদ্য'

খোৰাকী, 'আহাৰৰ সামগ্ৰী'
গ'ন্দ'গোল্, 'কোলাহল, অশান্তি'
গ'ৰ'জ্, 'প্ৰয়োজন, দৰকাৰ'
গেহেৰা, 'গভীৰ, অন্তৰংগ'
গাফিলতি, 'অৱহেলা, হেমাহি'
গোলাপ্, 'গোলাপ ফুল'
গুম্, 'হেৰাই যোৱা, নোহোৱা হোৱা'
গ্ৰেপ্তাৰ্, 'আটক, বন্দী'
চ'কিদাৰ্, 'চৌকিদাৰ, প্ৰহৰী, ৰখীয়া'
চাক'ৰ্, 'বনুৱা, দাস'
চাকুৰি, 'কাম, নিযুক্তি'
চাকু, 'চুৰী, কটাৰি'
চাবুক, 'চাবুক'
চালাক, 'টেঙৰ, বুধিয়ক, চোকা'
চালাকী, 'টেঙৰালী, বুদ্ধি'
চিকাৰ্, 'বনৰীয়া পশু-পক্ষী ধৰা বা বধ কৰা'
চিকাৰী, 'চিকাৰ কৰোঁতা'
চিপাহী, 'সৈন্য'
চুৰ্মা, 'অঞ্জন, চকুত ঘঁহা কাজল'
ছ'খ্, 'বিলাস, স্ফুৰ্তি, আগ্ৰহ'
ছ'ন্ত'ৰি, 'ৰখীয়া'
ছ'ব্জি, 'সেউজীয়া শাক পাচলি'
ছ'ৰ্কাৰ্, 'প্ৰশাসন, শাসন ব্যৱস্থা'
ছ'ৰ্দাৰ, 'নেতা, অধিনায়ক'
ছ'ৰ্দি, 'পানী লগা'

ছ'ৰ্বি, 'তেল'

ছ'ৰ'ম্, 'লাজ'

ছিছ্, 'বস্তু, দ্রব্য'

ছুবুৰ্, 'ধৈর্য'

জেৰা, 'প্রশ্ন কৰা'

জোৰ, 'শক্তি, বল'

জোৰ্দাৰ, 'বলী, শক্তিশালী'

তালাচ্, 'সন্ধান, অনুসন্ধান'

দ'খ'ল্, 'অধিকাৰ'

দ'প্ত'ৰ্, 'কার্যালয়'

দ'ৰ্, 'ভয়'

দ'ৰ্, 'মূল্য'

দ'ৰ্কাৰ্, 'প্রয়োজন'

দ'ৰ্কাৰী, 'প্রয়োজনীয়'

দ'ৰ্খাস্ত, 'আবেদন পত্র'

দ'ৰ'দ্, 'মৰম, সমবেদনা'

দ'ৰ্মাহা, 'দৰমহা'

দ'স্তুৰ্, 'নিয়ম'

দাগ্, 'চিন'

দাগাবাচ্, 'দগাবাজ, ঠগ-প্রবঞ্চক'

দাগী, 'দোষ থকা লোক'

দাবী, 'অধিকাৰ, প্রাপ্য'

দাম, 'মূল্য'

দাৰোগা, 'আৰক্ষী বিষয়া'

দিল্, 'হৃদয়, অন্তৰ'

দিল্‌দাৰ্, 'উদাৰ, হৃদয়বান'

দেমাক্, 'অহংকাৰ'

দেৰি, 'পলম, বিলম্ব'

দুনিয়া, 'পৃথিৱী, সংসাৰ'

দুছ্‌মন্, 'শত্রু'

দুছ্‌ৰা, 'বেলেগ, পৃথক'

দোকান্, 'দোকান'

ন'ৰ'ম্, 'কোমল, ঠুনুকা'

প'ছ'ন্দ', 'বাছি লোৱা'

প'র্দা, 'আৱৰণ'

প'স্তা, 'অনুতাপ কৰ'

প'হিলা, 'প্রথম'

পাইকাৰী জ'ৰিমনা, 'সমুহীয়াকৈ কৰা জৰিমনা'

পাঞ্জা, 'হাতৰ মুঠি'

পাট্টা, 'মাটিৰ দলিল'

পালেং, 'পালংক'

পালোৱান, 'শক্তিমান পুৰুষ'

পেছা, 'বৃত্তি'

পেছাব্ খানা, 'মূত্রাগাৰ'

পোছাক্, 'বেশভূষা, সাজ-কাপোৰ'

ফ'ৰ্মাইছ্, 'নির্দেশ'

ফাকা, 'ভিত্তিহীন'

ফুজি, 'সৈন্য'

ব'কৃছিছ্, 'উপহাৰ'

ব'জ্জাত্, 'দুষ্ট, অধম'

ব'দ্‌নাম, 'দুৰ্নাম'

ব'দ্‌মাইছ্, 'দুষ্ট'

ব'দ'ল্, 'সলনি, পৰিৱৰ্ত্তন'

ব'দ'লি, 'স্থানান্তৰ'

ব'ন্দী, 'আটক কৰা, ফাটেক দিয়া'

ব'ন্দুক্, 'আগ্নেয়াস্ত্ৰ'

ব'ন্দোব'স্ত, 'যুগুত কৰা, আয়োজন কৰা'

ব'ৰ'ফ্, 'গোট মৰা পানী'

ব'ৰ্বাদ্, 'নষ্ট কৰা, ধ্বংস কৰা'

ব'স্তা, 'মৰাপাটৰ ডাঙৰ মোনা'

ব'স্তি, 'থকা ঠাই'

বাগান্, 'ফুলনি'

বাগিছা, 'সৰু ফুলনি'

বাজ্, 'শেন চৰাই'

বাজাৰ্, 'বজাৰ'

বান্দা, 'চাকৰ'

বান্দী, 'চাকৰণী'

বাৰান্দা, 'পিৰালি'

বালিচ্, 'গাৰু'

বায়না, 'আগধন'

বাহাদুৰ্, 'শক্তিমান'

বাহাদুৰী, 'শক্তিমত্তা'

বাহানা, 'অজুহাত'

বুৰ্বক্, 'মূৰ্খ'

বেচেৰা, 'অসহায়, দৰিদ্ৰ'

বেজাৰ্, ‘দুখ, নিৰানন্দ’

বেদ’খ’ল্, ‘আইন বহির্ভুতভাৱে দখল কৰা’

বেপাৰ্, ‘ব্যৱসায়, বাণিজ্য’

বেমাৰ্/বেৰাম, ‘ৰোগ, অসুখ’

বেচ’ৰ’ম্, ‘নিলাজ’

বেছি/বিছি, ‘অধিক, সৰহ, প্ৰচুৰ’

বেহুঁছ্, ‘অচেতন’

মালদাৰ্, ‘সম্পত্তিবান, সম্পত্তিৰ গৰাকী’

মালামাল্, ‘প্ৰচুৰ সম্পত্তি’

মালিচ্, ‘ঘঁহা, মোহৰা’

মেলা, ‘জনসমাৱেশ’

মুজা, ‘মৌজা’

ৰ’ছি, ‘জৰি’

ৰ’হুন্, ‘নহৰু’

ৰাস্তা, ‘বাট-পথ’

লাছ্, ‘মৰাশ’

লাল্, ‘ৰঙা’

হ’ৰ্দ’ম, ‘সদা, সৰ্বদা’

হাজাৰ্, ‘সহস্ৰ, হেজাৰ’

হাৱা, ‘বতাহ, বায়ু’

হুচিয়াৰ্, ‘সাৱধান’

হেস্ত’-নেস্ত’, ‘শেষ সিদ্ধান্ত’

## ৭.৬০ সংকৰ শব্দ ঃ

ৰাভাসকলৰ কথিত অসমীয়া ভাষাত কিছুমান এনেকুৱা ধৰণৰ শব্দ পোৱা যায়, যিবোৰ দুটা বা ততোধিক ভাষাৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। তেনে ধৰণৰ শব্দ কিছুমান তলত উল্লেখ কৰা হ'ল।

## ৭.৬১ ৰাভা + অসমীয়া ঃ

আলগ হ' (ক্রি.), 'পৃথক হ'
আলায় ৰাখ্ (ক্রি.), 'ওলমাই ৰাখ্'
ওক্‌ছি (বি.), 'বাজী ঔ' <ঔ+গাছি (ৰাভা)
কিৰা কাৰ্ (ক্রি.), প্রতিজ্ঞা কৰ্'
খাখিৰি বান্ধ্ (ক্রি.), 'কৰাল বান্ধ'
খাম বান্ধ্ (ক্রি.) 'খাম বান্ধ'
ঘগ্গা বেং (বি.), 'ডাঙৰ ভেকুলী'
ছেছেং পাৰ্ (ক্রি.), 'ঘাঁত মাখিয়ে কণী পাৰ'
ছিতি ম'ত্ (বি.), 'এক বিশেষ ধৰণৰ মদ'
জাম্বুৰা টেঙা (বি.), 'ৰবাব টেঙা'
জাৰা দেও (বি.), 'লাঙা দেওৰ অনুচৰ'
জিয়া গাছ (বি.), এবিধ এঠাযুক্ত গছ'
থব্ৰা লাগ্ (ক্রি.), 'একগোট হ'
দ' দ' ঘুম্‌তি (বি.), 'গভীৰ টোপনি'
দিং কাৰ্ (ক্রি.), 'ভৰিৰ আঙুলিৰ ওপৰত ভৰ দি থিয় হ'
দিং দি (ক্রি.), 'সৰু ল'ৰা-ছোৱালীয়ে খোজ কাঢ়িব পৰাৰ আগতে নধৰাকৈ থিয় হবলৈ চেষ্টা কৰা কাৰ্য'
দুষ্ট তামানা (বি.), 'শিয়ালৰ দৰে ধূর্ত্ত'
দোদো গাঁথি (বি.), 'ঠাণ্ডাৰ পৰা হাত সাৰিবলৈ ডিঙিৰ পৰা ওলোমাই দিয়া কাপোৰৰ বান্ধ'

নোক ছামি (বি.), 'কইনা ঘৰীয়া লোকৰ যিসকল লোকে বিয়াৰ দিনা কইনাক আগবঢ়াই থ'বলৈ দৰাৰ ঘৰলৈ আহে'< ৰা. নোক 'ঘৰ' + ছামি< অস.স্বামী, 'গৰাকী'

পোংনা পিঠা (বি.), 'ভাপত সিজোৱা এবিধ পিঠা'

পোংনা মাছ্ (বি.), 'পোনা মাছ'

বাচুৰা কাল্ (ক্রি. বিণ), 'সদায়'

বেং লুকু < অস. বেং+ ৰা.নালুক (বি.), 'লালুকী'

মেমাং বাৰা (ক্রি.), 'প্রেতাত্মালৈ তর্পণ কৰ্'

ল'ক্ৰা বাঘ্ (বি.), 'কুকুৰ নেচীয়া বাঘ'

সুৰাচি < অস.সুৰা + ৰা. ফাপচি (বি.), 'মদ প্রস্তুত কৰা পিঠা'

হামলাই থাক্ (ক্রি.), 'কিবা পাবলৈ ব্যগ্র হৈ থাক্'

৭.৬২ গাৰো + অসমীয়া ঃ

থেখ্ৰা টেঙা (বি.), 'থেকেৰা টেঙ'

ধোলা শামুক্/ ছামুক (বি.), 'ডাঙৰ শামুক', তু. গাৰো. ডালা, 'ডাঙৰ'

৭.৬৩ খাছি + অসমীয়া ঃ

কুৰাং কুকুৰ্ (বি.), 'বনৰীয়া কুকুৰ, ৰাং কুকুৰ'

টেপৰ্/ টেপ'ল্ টেঙা (বি.), 'এবিধ টেঙা জাতীয় ফল'

৭.৬৪ ইংৰাজী + অসমীয়া ঃ

ইষ্টেল কৰ্ (ক্রি.), 'সাজসজ্জা কৰ্'

ইলেকচন খেল্ (ক্রি.), 'নির্বাচন খেল্'

গোল দি (ক্রি.), 'গোল দে'

টিকেট কাট (ক্রি.), টিকট কৰ্'

ডাক্ত'ৰাণী (বি.), 'চিকিৎসকৰ ঘৈনীয়েক'

পলিটিক্চ্ ক'ৰ্ (ক্রি.), 'ৰাজনীতি কৰ্'

পাছ্ ক'ৰ (ক্রি.), 'কৃতকার্য হ'

ফাউল্ ক'ৰ্ (ক্রি.), 'ফাউল মাৰ্'

ফেল্ ক'ৰ্ (ক্রি.), 'অকৃতকার্য হ'

বাছ্ ৰাখ্, (ক্রি.), 'বাছ ৰাখ্'

বিজ্‌নেছ্ কৰ্ (ক্রি.), 'ব্যৱসায় কৰ্'

মাষ্ট'ৰাণী (বি.), 'শিক্ষয়িত্রী'

লেক্চাৰ্ মাৰ্ (ক্রি.), 'ভাষণ দে'

হেড্ প'ণ্ডিত্ (বি.), 'প্ৰধান শিক্ষক'

৭.৬৫ আৰবী/ ফাৰ্চী + অসমীয়া ঃ

আইন্‌বিদ্, 'আইনজ্ঞ'

আড্ডা মাৰ্ (ক্রি.) 'আড্ডা মাৰ'

কুবুল্ খা (ক্রি.), 'শপত খা'

খালাচ্ হোৱা (ক্রি.), 'গৰ্ভৱতী তিৰোতাৰ সন্তান জন্ম হোৱা'

খুন্ কৰ্ (ক্রি.), 'হত্যা কৰ্'

হাত্-বাজাৰ্, 'বজাৰ'

বাজাৰুৱা (বি.),' বজৰুৱা'

## ৭.৭০ জতুৱা ঠাঁচ ঃ

৭.৭১ পিজিন আৰু ক্ৰেওলত সাধাৰণতে তাকৰীয়া শব্দ ভাণ্ডাৰ দেখা যায়। কিন্তু সেই সীমিত শব্দবোৰৰ পৰিষ্কাৰ অৰ্থ থাকে, অৰ্থবোৰৰ পৰিসৰ বহল হয় অথবা বহু ক্ষেত্ৰতে নিজা ধৰণে আপোন সংস্কৃতিৰ লগত খাপ খুৱাই জতুৱা ঠাঁচ সৃষ্টি কৰি লোৱা দেখা যায়। এই যুক্তি সাব্যস্ত কৰে সমাজ ভাষা বিজ্ঞানীসকলৰ সিদ্ধান্তই — "*Pidgin languages do have, as part of their essential nature, a very reduced vocabulary. Yet even if the member of worlds is small, the range of meaning they conveyed is wide; each word has a clearly definable meaning, and by combining words in to phrases with idiomatic meaning of their own, one can say anything one wants to in the cultural situation in which the language is used.*[১৮] সাধাৰণতে প্ৰচলিত অৰ্থৰ সলনি ঘটা শব্দৰ সমষ্টিকে জতুৱা ঠাঁচ বোলা হয়। সত্যনাথ বৰাৰ ভাষাত, "*কোনো শব্দৰ ধাতুগত আৰু প্ৰত্যয়গত আদি যি অৰ্থ হয় তাৰ উপৰিও শব্দ বিশেষৰ সংযোগত তাৰ অইন ৰকমৰ অৰ্থও হয়, আৰু ভাষাও বেছি মনোৰম আৰু হৃদয়গ্ৰাহী হৈ পৰে, এয়ে ভাষাৰ জতুৱা ঠাঁচ।*"[১৯] এনেকুৱা ধৰণে স্বাভাৱিক বা প্ৰচলিত অৰ্থৰ সলনি ঘটা শব্দৰ সমষ্টিক জতুৱা ঠাঁচ বোলাৰ মূল কাৰণ হৈছে এইবোৰত ভাষাৰ কালিকা লাগি থাকে। জতুৱা শব্দৰ অৰ্থই হৈছে '*নিজৰ জাতৰ বস্তুৰ দৰে, বিজতৰীয়া নোহোৱা*'।[২০] গতিকে জতুৱা ঠাঁচ হৈছে '*ভাষাৰ নিজস্ব প্ৰকাশ ভঙ্গী*'।[২১] ভাষা এটাৰ লগত ভালদৰে পৰিচয় নাথাকিলে এই জতুৱা ঠাঁচবোৰৰ অৰ্থ ভঙাটো সম্ভৱ নহয়। দৰচলতে জতুৱা ঠাঁচো এবিধ খণ্ড বাক্যই। খণ্ড বাক্য হৈছে '*বাক্যৰ এক অংশ, সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱাৰা একাধিক শব্দ*'।[২২] ড° গোলোক চন্দ্ৰ গোস্বামীৰ ভাষাত, "*দুটা বা ততোধিক আসন্ন অঙ্গৰ গোটটোকে খণ্ড বাক্য বোলে। খণ্ড বাক্যবোৰ বাক্যৰ খণ্ড বা অংশ; পূৰ্ণ বাক্য নহয়।*"[২৩] সকলোবোৰ জতুৱা ঠাঁচে

---

১৮. Hall, Robert A : প্ৰাগুক্ত গ্ৰন্থ পৃ. ৯০
১৯. বহল ব্যাকৰণ, ১৯২৫, পৃ. ২৪৫
২০. নেওগ, মহেশ্বৰ (সম্পা.) ঃ চন্দ্ৰকান্ত অভিধান, পৃ. ৩৮৪
২১. নেওগ, মহেশ্বৰ (সম্পা.) ঃ উক্ত গ্ৰন্থ, পৃ. ১৮৬
২২. নেওগ, মহেশ্বৰ (সম্পা.) ঃ উক্ত গ্ৰন্থ, পৃ. ২৫১
২৩. অসমীয়া ব্যাকৰণ প্ৰৱেশ, ২০...., পৃ. ৩৩১

একো একোটা খণ্ড বাক্য হ'লেও কিন্তু সকলোবোৰ খণ্ড বাক্যই জতুৱা ঠাঁচ নহয়। জতুৱা ঠাঁচ আৰু খণ্ড বাক্যৰ মাজত পাৰ্থক্য আছে। খণ্ড বাক্যবোৰৰ অৰ্থৰ পৰিৱৰ্ত্তন নঘটে, কিন্তু জতুৱা ঠাঁচবোৰৰ অৰ্থৰ পৰিৱৰ্ত্তন ঘটে। "*অন্য শব্দৰ সহযোগত শব্দৰ প্ৰচলিত অৰ্থতকৈ আন বিশেষ অৰ্থ প্ৰকাশ কৰা খণ্ড বাক্য বা বাক্যাংশকেই জতুৱা ভাষা ৰীতি বা ঠাঁচ কোৱা হয়।*"[২৪] জতুৱা ঠাঁচ সৃষ্টিৰ মূলতে হৈছে ভাষাৰ সৃজনশীল গুণ। অন্য আচৰণৰ দৰেই মানুহে অগ্ৰজক অনুকৰণ কৰি ভাষা আয়ত্ব কৰিলেও আগতে নোকোৱা আৰু আগতে নুশুনা বাক্য একোটাৰ সৃষ্টি কৰিব পাৰে। তাকে কৰিবলৈ যাওঁতে বক্তা এজনে কেতিয়াবা তেওঁৰ দ্বাৰা সৃষ্ট বাক্যাংশৰ দ্বাৰা স্বাভাৱিক বা অভিধা অৰ্থ নুবুজাই অন্য অৰ্থও বুজাব পাৰে। শেষত এনেকুৱা এটা বাক্যাংশই জনপ্ৰিয়তা লাভ কৰি জতুৱা ঠাঁচ হ'ব পাৰে। Charles F. Hockett ৰ ভাষাত, "*However, the mere occurence of a nonce-form for the first time does not in itself constitute the creation of a new idiom. An additional ingredient is required; something more or less unusual either about the structure of the newly-produced nonce-form, or about the attendant circumstances, or both which renders the form memorable. As we go about the business of living, we constantly meet circumstances which are not exactly like anything in our previous experience. When we react via speech to such partially new circumstances, we may produced a phrase or an utterance which is understandable only because those who hear it are also confronted by the new circumstances. Alternatively, an individual may react to conventional circumstances with a bit of speech which is somewhat unconventional- once again being understood because of context. Given any such novelty, either of expression or of circumstances or of both, the event bestows special meaning on the linguistic form which is used, and the latter becomes idiomatic.*"[২৫]

---

২৪. মৰল, ভগৱান ঃ **অসমীয়া ব্যাকৰণ জ্যোতি**, ১৯... পৃ. ২৫৩

২৫. **A Course in Modern Linguistics**, 1970, p. 304

৭.৭২ ৰাভাসকলৰ কথিত অসমীয়া বা ৰাভামিজত বহুতো জতুৱা ঠাঁচৰ প্ৰয়োগ আছে, যিবোৰ মান্য অসমীয়া অথবা কামৰূপী আৰু গোৱালপৰীয়া উপভাষাত নাই। উক্ত জতুৱা ঠাঁচবোৰত ৰাভাসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ ছবিখনো লুকাই আছে। এই জতুৱা ঠাঁচবোৰৰ সৃষ্টি হৈছে বিভিন্ন পদৰ সমষ্টিত অথচ প্ৰয়োগ হয় আন এটা পদৰ বিকল্পে। এই দৃষ্টিকোণৰ পৰা ৰাভামিজত প্ৰচলিত জতুৱা ঠাঁচবোৰক তলত দিয়া ধৰণে শ্ৰেণী বিভাগ কৰিব পাৰি।

(ক) নামবাচক জতুৱা ঠাঁচ

(খ) বিশেষণবাচক জতুৱা ঠাঁচ

(গ) ক্ৰিয়াবাচক জতুৱা ঠাঁচ আৰু

(ঘ) ক্ৰিয়া-বিশেষণ বাচক জতুৱা ঠাঁচ

### ৭.৭৩ নামবাচক জতুৱা ঠাঁচ ঃ

বিশেষ্য অথবা বিশেষণৰ পাছত অইন এটা বিশেষ্য বা বিশেষণৰ সংযোগ ঘটি ৰাভামিজত বহুতো জতুৱা ঠাঁচৰ সৃষ্টি হৈছে। এইবোৰ বিশেষ্য পদ হিচাপে প্ৰয়োগ হয়। যেনে—

অ'পুছ্ ধ'ন্, 'কোনেও বিছাৰি নোলোৱা ধন'

আখাশালিৰ্ ছাই, 'জুহালৰ ছাই অৰ্থাৎ সাধাৰণ মানুহ'

কাচ্ পুৱাতী, 'সদ্যজাত সন্তানৰ মাতৃ'

কাচা ৰছ্, 'কেঁচা ভোজ অৰ্থাৎ অনুষ্ঠুপীয়া ভোজ'

ঘুগু বিয়া, 'ঘুগু (কপৌ)ৰ বিয়া অৰ্থাৎ প্ৰেম বিবাহ'

খ'প'ৰা ঘ'ৰ্, 'পুত্ৰ-বোৱাৰী বা জী-জোঁৱাইৰ শোৱা ঘৰ'

চাং ঘ'ৰ্, 'চাং দিয়া ঘৰ অৰ্থাৎ ভঁৰাল ঘৰ'

জ'ন্ পাওৱানি, 'কইনা বন্দবস্ত কৰোতে দিয়া ধন'

জোৰা ম'ন্দিৰ্, 'বিশ্ৰাম কৰা ঘৰ'

টিক'ৰ্ স্বামী, 'মৰমৰ স্বামী'

দ' দ' ঘুম্‌তি, 'গভীৰ টোপনি'

পুৰি উঠা গুৰু, 'সম্পূর্ণ হৈ উঠা গৰু অর্থাৎ সম্পূর্ণ দাঁত সৰা গৰু'

বাঘ্ ধেনুক্, 'বাঘৰ দৰে পখৰা বা ৰংচঙীয়া ধেনু অর্থাৎ ৰামধেনু'

ভুতুনি তাৰা, 'ভুতুনীৰ (যি ৰাতিৰ আন্ধাৰত অকল মূৰটো পোহৰেৰ আলোকিত হৈ আহাৰৰ সন্ধানত ঘূৰি ফুৰে, ডাইনী) দৰে তৰা অর্থাৎ পপীয়া তৰা'

ময়ৰা ফুল্, 'এবিধ পৰম্পৰাগত ফুলৰ চানেকি যি ময়ূৰৰ দৰে সুন্দৰ'

ৰাতি ৰুৱা গাছ্ , 'ৰাতিহে ৰোৱা গছ ,যি অদৰ্কাৰী অর্থাৎ ৰঘুমলা'

## ৭.৭৪ বিশেষণবাচক জতুৱা ঠাঁচ ঃ

বিশেষণৰ সংযোগত ৰাভামিজত বহুতো জতুৱা ঠাঁচৰ সৃষ্টি হৈছে। যেনে —

কাথ'ল্ ফুলীয়া, 'মুচিৰ দৰে ৰঙৰ অর্থাৎ ডাঠ হালধীয়া'

খ'টীয়া টেঙ'ৰ, 'খটীয়া পহুৰ দৰে টেঙৰ অর্থাৎ অতি ধূৰ্ত্ত লোক'

খোপা দাঙিৰি, 'যাৰ খোপা ডাঙৰ অর্থাৎ লাহতী'

চিকুণ্ গুষ্টি, 'সম্পত্তিৰ ভাগ পাব নোৱাৰা অথচ নিকট আত্মীয় লোক'

চিকুণ্ টেমা, 'পৰিপাটি লোক'

ছাল্ ডাঙাৰা, 'ফিতাহি মাৰা লোক'

জোৰা ম'ন্দিৰ্, 'বিশ্ৰাম কৰা ঘৰ'

ঝেয়া ডাকুৰা, 'তিৰোতাক জোকোৱা পুৰুষ'

তুৰি মুখা, 'তোৰা মাছৰ দৰে যাৰ ওঠ দীঘল অর্থাৎ খঙাল'

দ' দ' ঘুম্‌তি, 'গভীৰ টোপনি'

দুষ্ট তামানা, 'দুষ্ট শিয়াল অর্থাৎ অতি ধূৰ্ত্ত লোক'

প'ক'ৰ বুদীয়া, 'পকৰ(মলদ্বাৰ)ত বুদ্ধি আছে যাৰ অর্থাৎ চতুৰ'

পিথ'ল দাঙাৰা, 'যাৰ পিথল (কলিজা) ডাঙৰ অর্থাৎ যি দুঃসাহসী '

পেট্ বুদীয়া, 'পেটত বুদ্ধি আছে যাৰ, কপটীয়া' তু. পেট ভাটৌ

ভেল্টা চ'কুৰা, 'গভীৰ দৃষ্টি নথকা'

মুখে কাতি, 'যি তিৰোতাই তৰ্কেৰে আনৰ মুখ কাটে অৰ্থাৎ মুখ চোকা তিৰোতা'

চ'কু টুকুৰা, 'চকু চৰহা পুৰুষ'

সিয়ান-আজালা, 'ভিতৰি টেঙৰ লোক'

## ৭.৭৫ ক্ৰিয়াবাচক জতুৱা ঠাঁচ ঃ

বিশেষ্য, বিশেষণ আৰু ক্ৰিয়া-বিশেষণৰ পিছত ক্ৰিয়া পদৰ সংযোগ ঘটি যিবোৰ জতুৱা ঠাঁচৰ সৃষ্টি হয়, সেইবোৰ ক্ৰিয়া পদৰ দৰে প্ৰয়োগ হয়। যেনে—

অ'পুৰা ব'ন'তে পুৰিয়া ম'ৰ্, 'দেহ অশুচি হ্, যৌৱন বিনষ্ট হ্, দেহ কলংকিত হ্'

অ'ভিম'ন জুৰ্, 'অনুতাপ কৰ্, নিজৰ পুতৌ লগা অৱস্থা অনুভৱ কৰ্'

অ'মুক'ক্ বহ্, 'অমুকক বিয়া কৰ্'

আয়দায় দি, 'কোনো মহিলাক মাতৃ বুলি গ্ৰহণ কৰ্'

আত্কাল্ কৰ্, 'অনুমান কৰ্'

কাক'লিতে ফ'ৰেং সিজা, 'কাষলতিত ফৰিং সিজোৱা অৰ্থাৎ অসম্ভৱক সম্ভৱ কৰ্'

কাংকাৰাৰ বাহাতে চেং বাহা ল', 'বিপদকো আওকাণ কৰ্'

কামছায়া পাত্, 'আনৰ অলক্ষিতে ছাঁৰ দৰে ৰৈ থাক্'

গাং মাৰ্, 'পদুলি শুঙা'

গাও লেন্দেৰায়, 'গাত গা লগাই থকা'

চৈতালি বাও লাগ্, 'চ'ত মহীয়া শুকান বতৰত হোৱা এবিধ ওৰাগ হ্'

ছাওৱা তুল্, 'সন্তান লালন-পালন কৰ্'

ছাগ'ল'ৰ্ মুখ'তে কুম্‌ৰা সিজা, 'অসম্ভৱক সম্ভৱ কৰ্'

ঝাল্ খা, 'সহ্য কৰিব নোৱাৰা অৱস্থা হ'

ধুপ্ চাউল দি, 'অনুষ্টপীয়াকৈ ভোজ দি'

পোকা লাগি মৰ্, 'অপমৃত হ'

বাপ্‌দায় দি, 'কাৰোবাক পিতৃ বুলি গ্ৰহণ কৰ্'

ভুৰ্‌কাই দেখুওৱা, 'মিছা আশা দেখুওৱা'

ম'ন্ খা, 'প্ৰেমত পৰ্, পছন্দ কৰ্'

ম'ন্ খাওৱা, 'প্ৰেমত পৰা কাৰ্য'

ফাতাই ল', 'ভৰাই ল'

য'ত'ৰ কাণত লাগ্, 'গোলাপী নিচা লাগ্'

বাঘ্ চ'ম্‌কা লাগ্, 'কিংকৰ্তব্য বিমূঢ় হ'

৭.১০০.৬ ক্ৰিয়া-বিশেষণবাচক জতুৱা ঠাঁচ ঃ

ক্ৰিয়া-বিশেষণৰ অৰ্থত প্ৰয়োগ হোৱা জতুৱা ঠাঁচ কেতবোৰ হ'ল—

আলোলোগ্ কৰি, 'পৃথকভাৱে অৰ্থাৎ আলফুলকৈ'

কাচা চ'কুদি, 'কেচা চকুৰে অৰ্থাৎ উজাগৰে'

জালাই-জাখাই, 'জাল আৰু জাখাৰে সৈতে অৰ্থাৎ জলৌ-জপৌকৈ'

জোৰায়-জোখায়, 'ঠিক-ঠাক কৰি'

ধাং ধাং কৰি, 'মুকলিকৈ অৰ্থাৎ স্পষ্টকৈ'

বাপকালি লাগা, 'বাপেকৰ দিনৰ অৰ্থাৎ যুগমীয়া'

ৰাম্ ৰাম্ ঘুৰিতে, 'ৰাম ৰামকৈ উচ্চাৰণ কৰোতে যিমান সময়ৰ প্ৰয়োজন অৰ্থাৎ মুহূৰ্ততে'

## ৭.৮০ অৰ্থ পৰিৱৰ্ত্তন ঃ

পিজিন আৰু ক্ৰেওলত ব্যৱহৃত বহুতো শব্দৰে মূলৰ অৰ্থ ৰক্ষিত হয় যদিও কিছুমান শব্দৰ অৰ্থ-বিস্তাৰ ঘটে, কিছুমানৰ অৰ্থ-সংকোচন ঘটে আৰু কিছুমানৰ অৰ্থ সম্পূৰ্ণৰূপে পৰিৱৰ্ত্তন হোৱা দেখা যায়। ৰাভামিজত ব্যৱহৃত শব্দ কিছুমানৰো অৰ্থৰ ক্ষেত্ৰত এনেকুৱা ধৰণৰ পৰিৱৰ্ত্তন লক্ষ্য কৰা যায়।

৭.৮১ ৰাভামিজত ব্যৱহৃত অৰ্থ-বিস্তাৰ ঘটা শব্দ কিছুমানৰ উদাহৰণ হ'ল —

| শব্দ | অসমীয়া মূলৰ অৰ্থ | ৰাভামিজত আৰোপিত নতুন অৰ্থ |
|---|---|---|
| থেং | অকল জন্তু বিশেষৰ ঠেং | জন্তুৰ ঠেং, খুৰা আৰু মানুহৰ ভৰি উভয়কে বুজায়। |
| থুথ্ | ঠোঁট | চৰাইৰ ঠোঁট আৰু মানুহৰ ওঁঠ দুয়োটাকে বুজায়। |
| পানী | পানী | পানী আৰু বৰষুণ উভয়কে বুজায়। |
| ভাতা | ইটা ভাটা | ইটা ভাটাকে ধৰি যিকোনো কাৰখানা। |
| তাৰ | তাঁৰ | ধাতুৰ তাঁৰ আৰু কাপোৰ আঁৰিবলৈ ব্যৱহাৰ কৰা ডাঁৰ উভয়কে বুজায়। |
| ৰ'ছ্<আৰবী ৰোজ | দিনটোৰ খোৰাকী | ভোজ |

৭.৮২ ৰাভামিজত ব্যৱহৃত অৰ্থ-সংকোচন ঘটা শব্দ কিছুমানৰ উদাহৰণ হ'ল —

| শব্দ | অসমীয়া মূলৰ অৰ্থ | ৰাভামিজত আৰোপিত নতুন অৰ্থ |
|---|---|---|
| কাম | যিকোনো কৰ্ম | শ্ৰাদ্ধ ক্ৰিয়া |
| চ'ৰে < অস.চৰাই | যিকোনো চৰাই | কুকুৰা |
| গুৰা | যি কোনো দ্ৰব্যৰে গুৰি | ধানৰ তুঁহ গুৰি |

৭.৮৩ ৰাভামিজত ব্যৱহৃত কিছুমান শব্দৰ অৰ্থ সম্পূৰ্ণৰূপে পৰিৱৰ্ত্তন হৈ গৈছে। তেনেকুৱা ধৰণৰ শব্দ কিছুমানৰ উদাহৰণ হ'ল —

| শব্দ | অসমীয়া মূলৰ অৰ্থ | ৰাভামিজত আৰোপিত নতুন অৰ্থ |
|---|---|---|
| আপী (কাম.) | ছোৱালী | বোৱাৰী |
| কাতা-মাৰা | কটা-মৰা | খেতি চপোৱা, মৰণা মৰা কাৰ্য |
| কালা দামাৰা | কলা ডমৰা | অঘাটং লোক |
| খেদ | বিতাড়িত কৰ্ | উপহাৰ আদি দি |
| গাও (গো.) | গা | শকত |
| চৰক (সং. স্বৰ্গ) | স্বৰ্গ | বজ্ৰপাত |
| চ'ৰে মাহাৰি | চ'ৰৈ অৰ্থাৎ মূৰ্গীৰ মাতৃ | থুপিতৰা |
| চ'ৰ্চ | চৰ্চা কৰ্ | বদনাম গা, পৰ চৰ্চা কৰ্ |
| চাং ঘ'ৰ | চাং পাতি কৰা ঘৰ | ভঁৰাল ঘৰ |
| দায় | দোষ | জৰিমনা |
| দিন | দিন | আকাশ |
| দিস্তান | দৃষ্টান্ত | সাঁথৰ |
| পান্দুলিপি | পাণ্ডুলিপি | সংবিধান |
| পোহ'ৰ | পোহৰ | দিন |
| বুৰা (বুঢ়া) | বুঢ়া,বৃদ্ধ | গিৰিয়েকক কৰা সম্বোধন (প্ৰা.) ঘৰখনৰ সৰু ল'ৰাক মতা সম্বোধন (আধু.), |
| বুৰী (বুঢ়ী) | বুঢ়ী | পত্নী (প্ৰা.), ঘৰখনৰ সৰু ছোৱালীক কৰা সম্বোধন (আধু.) |
| বেলা (অস.বেলি) | সূৰ্য | সময় |
| ভুচুৰা (ৰা.) | অনাৱশ্যকভাৱে শকত হোৱা | লেতেৰা |
| ভুতুনী | মহিলা ভুত | ডাইনী |
| ভুহুৰা (ৰা.ভুচুৰা) | অনাৱশ্যকভাৱে শকত হোৱা | ফোফোলা |
| মিতা | মিত্ৰ | একে নামৰ দুজন মানুহ |
| ৰ'ছ (আৰৱী ৰোজা) | দিনটোৰ খোৱাকী | ভোজ |
| স'ৰ্কাৰ্ | চৰকাৰ | পাটগিৰিৰ সহায়কাৰী বিষয়া |